# চন্দ্ৰাৱলী ।

( নাটক )

---

শ্ৰীদুৰ্গেশ্বৰ শৰ্ম্মা, বি-এ, বি-এল

প্ৰণীত ।

যোৰহাট আৰু ডিব্ৰুগৰৰ পৰা

শ্ৰীশিৱনাথ ভট্টাচাৰ্য্যৰ দ্বাৰা

প্ৰকাশিত ।

---

১৮৩২ শক ।

GOVERNMENT OF A
DISTRICT LIBRARY

# পাতনি।

এই নাটক খনি মহাকবি চেক্সপীয়েৰৰ "এজ্‌-ইউ-লাইক্‌-ইট্‌" নামক নাটকৰ ছাঁ লৈ লেখা হৈছে। সৰহ ভাগ অনুবাদকে বুলিব পাৰি, কিন্তু মহাকবিৰ আলসুৱা আৰু নিচেই কোমল ৰহস্যবিলাক লেখকৰ হাতত পৰি বিকৃত হোৱাৰ ভয়ত তাৰ ওচৰ চাপিবলৈ সাহ কৰিব পৰা নহ'ল। যদিও মহাকবিৰ প্ৰেম-চিত্ৰবিলাকক বাদ দিলে নাটকৰ মাধুৰ্য্য অনেক হ্ৰাস হয়, তথাপি আমাৰ প্ৰচলিত সামাজিক নিয়মৰ ব্যতিক্ৰম নোহোৱাকৈ ৰখাৰ কাৰণে এই নাটকত মূলৰ বহুত কথা বাদ দিব লগাত পৰিল।

নাটকৰ কেবা ঠাইতো লেখকে আৱশ্যক মতে নিজৰ ভাৱো মিহলাই দিছে। 'সঙ্গীত বোধ" আৰু "সঙ্গীত সাধনা" প্ৰণেতা শ্ৰীযুত [illegible] [illegible] [illegible]-যাই অনুগ্ৰহ কৰি এই নাটকৰ গীত কেইটিত ভাল সুৰ লগাই দিছে।

যোৰহাট,
শাওণ, ১৮৩১ শক।

PRINTED BY

TUNIRAM SARMA,

AT

THE DARPAN PRESS, JORHAT.

# ভাৱৰীয়াবিলাক।

:0:

## মতা।

ধৰ্ম্মপাল————ৰজা।

বিশ্বপাল————ৰজাৰ ভায়েক।

জনাৰ্দ্দন, পুষ্কৰ, দামোদৰ——৺বীৰভদ্ৰ মন্ত্ৰীৰ পুতেক

পিঙ্গৰ————এটা মাল।

ধনঞ্জয়, পৰশু————ৰাজ-ভৃত্য।

সুৰথী, স্বৰূপ————জনাৰ্দ্দনৰ ভৃত্য।

পুৰন্দৰ, গদাপাণি————ৰজাৰ বিষয়া।

সনাতন————এজন পণ্ডিত।

জয়, বিজয়————কিৰাত।

প্ৰজাপতি, নগৰীয়া লৰাবিলাক, নগৰীয়াসকল আৰু কিৰাত বালকসকল।

---

## তিৰোতা।

চন্দ্ৰাৱলী————ধৰ্ম্মপালৰ জীয়েক।

হেমাঙ্গলী————বিশ্বপালৰ জীয়েক।

বহলী————এজনী কিৰাতনী।

নৰ্ত্তকীসকল আৰু অপ্সৰীসকল।

---

# সূচনা।

## নৰ্ত্তকীসকলৰ গীত।

প্ৰাণ হাঁহিছে, মনে নাচিছে,
মৰমে মৰমে আজি মিলি পৰিছে;
পাবা হিয়াত দৈৱবল,
কামত হ'ব সুমঙ্গল,
প্ৰকৃতি ফুলনি খনি ফুলি পৰিছে।
পাগৰি এৰিলে বাট,
ঘূৰি ওলাবাহি তাত,
জীৱন জীৱন ধৰি বান্ধি ৰাখিছে।

———:0:———

# চন্দ্ৰাৱলী ।

—:0:—

## প্ৰথম অঙ্ক ।

— 0 —

### প্ৰথম গৰ্ভাঙ্ক ।

— 0 —

জনাৰ্দ্দনৰ আগ-চোঁতাল ।

পুষ্কৰ আৰু সুৰথীৰ প্ৰৱেশ ।

পুষ্কৰ । শুনিছোঁ সুৰথী, শুনিছোঁ তোমাৰ মুখে,—
মৰণ কালত পিতৃদেৱে মোৰ
জনাৰ্দ্দন প্ৰথম পুত্ৰক
গৈছিলে আদেশ প্ৰদানি :—
'তিনিও পুত্ৰই মোৰ সমান ভাগেৰে
সম্ভোগ কৰিবা ধন বিত্ত,
কাকো বঞ্চি নেখাবা কোনেও ।'
আছিলোঁ কোমল মই
দামোদৰো নিচেই কেচুৱা ;
জ্যেষ্ঠ ভাই পিতৃ তুল্য বেদৰ বচন
জনাৰ্দ্দন পূজনীয় মোৰ ;
কৰিলে বঞ্চনা মোক, সেই জ্যেষ্ঠ ভায়ে

পিতৃ বাক্য পালন নকৰি
দয়া-মায়া কৰি অতিক্ৰম।
দামোদৰ লৰা এতিয়াও
বেদ শিক্ষা ক'ৰি লভিছে বহুত জ্ঞান
পুণ্যময় গুৰুৰ ঘৰত।
লোকে কয় ভাতৃৰ স্নেহত
হেনো হিয়া পমি যায়,
মোৰ কিন্তু জ্যেষ্ঠ ভায়ে আজি
গৰু-ছাগলীৰ দৰে ব্যৱহাৰ কৰি,
দিছে ঠাই জন্তুৰ লগত।
জ্ঞান বাক বোলে তাকো নেজানিলোঁ,
শিক্ষাও নেপালোঁ,—
নিচিনিলোঁ এটিও আখৰ;
বল শক্তি দেহৰ লাৱণী
সকলো লুকাল শৰীৰৰ।
তেওঁৰে ভনেক মই—
ভাই যেন ব্যৱহাৰ নকৰে কদাপি।
সেইবাবে মনত খেদেৰে
আছোঁ বহি ইয়াতে সুৱধী:
পিতৃৰ পবিত্ৰ তেজ জ্বলন্ত ৰূপেৰে
জ্বলিছে দেহত মোৰ;
নোৱাৰোঁ সহিব আৰু
ভৃত্য তুমি, কিন্তু তুলি-তালি
পুত্ৰ ৰূপে পালন কৰিলা;

মোৰ পক্ষে কি কৰিলে ভাল
তাৰ এটা সজ বুদ্ধি দিয়া।

সুৰথী। আছিছে গৱাক্ষী সোৱা,—
জনাৰ্দ্দন অগ্ৰজ তোমাৰ।

পুৰুৰ। আঁতৰা সুৰথী তুমি,
শুনিবা কি দৰে মোক কৰে ব্যৱহাৰ।

জনাৰ্দ্দনৰ প্ৰবেশ।

জনাৰ্দ্দন। কি কৰিছ,—কিয় আছ মনে মনে বহি?

পুৰুৰ। শুনিলে সন্তোষ পাবা,—
এলাহৰ বশ হৈ ঈশ্বৰৰ পৰা পোৱা
সকলো শক্তিৰ মাথোঁ
হানি মই কৰিছোঁ ইয়াত।

জনাৰ্দ্দন। বহি থাকি এনো নকৰিলে
ভৰাবি কিহেৰে পেট,
কোনে তোক অব্যৱত দিব খাবলৈ?

পুৰুৰ। নাই কৰা নষ্ট মই পৈতৃক সাহোন,
কিবাবে ভুগিম দুখ? পিতৃ সম্পত্তিত
তুমি মই সমানভাগীয়া।

জনাৰ্দ্দন। পাইছনে গম কত বহি আছ?

পুৰুৰ। পাইছোঁ, তোমাৰ চোঁতালত।

জনাৰ্দ্দন। ইমান ডাঙৰ কথা!
বুজিছনে কাৰে কথা পাতিছ এতিয়া?

পুষ্কৰ । বুজিছোঁ,—কৈছোঁ কথা
জনাৰ্দ্দন জ্যেষ্ঠৰ আগত;
সেইদৰে তুমিও বুজিব লাগে
তোমাৰ কনিষ্ঠ বুলি মোক;
জ্যেষ্ঠ তুমি পূজনীয় মোৰ
সেইবাবে থাকে যদি জ্যেষ্ঠ মোৰ
কুৰি জনো তোমাৰ নিচিনা,—
পিতৃ তেজ মোৰ শৰীৰত
তথাপিও আটুট থাকিব ।
তুমি যেনে ময়ো তেনে, স্বৰ্গীয় পিতৃৰ
দুয়ো আমি সমান সন্তান ।
জ্যেষ্ঠ বাবে পিতৃতুল্য তুমি,
সেইৰূপে আমাক পালন কৰা
ধৰ্ম্মমতে তোমাৰ উচিত ।

জনাৰ্দ্দন । ইমান মুখৰ কথা ! (ধৰিব খোজে)

পুষ্কৰ । আহাঁ ভাই, জ্যেষ্ঠ তুমি বয়সত,—
কিন্তু হ'লে কনিষ্ঠ বলত,
পাৰিবা বুজিব তাক
হতাহতি লাগিলে দুয়োৰ ।

জনাৰ্দ্দন । লগাবিনে হাত মোৰ গাত
ওই পাষণ্ড পামৰ !

পুষ্কৰ । নহও পাষণ্ড মই,—
পুণ্যময় স্বৰ্গীয় পিতৃৰ

অধাম সন্তান ।
দুৰ্ঘোৰ পাষণ্ড সিটো
যিটোৱে পাষণ্ড বোলে
সন্তানক পবিত্ৰ পিতাৰ;
জ্যেষ্ঠ তুমি, নহলে ডিঙিত ধৰি,
জিভা কাঢ়ি বুজালোহেঁতেন—
এনে কথা কলে
জিভা ছিঙা দণ্ড যথোচিত ।
মুৰ্খ তুমি,— গালি দিছা নিজকে নিজেই ।

সুৰথী । ক্ষান্ত হোৱা নকৰা কন্দল,
তোমালোক দুয়োটিকে
দিছোঁ মই পিতৃৰ শপত ।

জনাৰ্দ্দন । যাও মই শোধবো ইয়াঁত ।

পুষ্কৰ । (আগভেটি ধৰি) শুন মোৰ কথা,—
মৰণ কালত মৃত্যুৰ শয্যাত পৰি
কৈছিলে পিতৃদেৱে মোক,—
'তিনিও পুতই মোৰ সমান ভাগেৰে
ধন-বস্তু সম্পত্তি লবিবা,
বাদে কাকো নেৰাবা কোনেও ।'
নেৰাখি পিতৃৰ আদেশ,
মোৰ ভাগো খান কৰি নিজে
লেখা পঢ়া একো নিশিকাই
কৰিলি ডাঙৰ মোক গণ্ডৰ দৰেৰে ।

বিৰাজিছে পিতৃৰ নিৰ্ম্মল আত্মা
নসহোঁ অলপো আৰ,—
দে মোক প্ৰাপ্য ভাগ
য'তে পাৰোঁ ত'তে লওঁ ঠান-ঠিক মই।

জনাৰ্দ্দন। লৈ যাবি যিহকে বিচাৰ,
দে গৈ নৈত উটুৱাই;
মোৰ চাৰি সীমনাতো
কদাপিও আৰু তই নেলাগে থাকিব।
যাওঁ গুচি,—নেথাকো ইয়াত।

পুষ্কৰ। ঠিক কথা!
সম্পত্তিৰ ভাগ দিলে
টান কথা নকওঁ তোমাক।

জনাৰ্দ্দন। তয়ো থাকিবিনে ইয়াতে কুকুৰ?

সুৰথী। কুকুৰ! কুকুৰ হলোঁ মই—
হয়, কৰোঁতে তোমাৰ কাম,
দাঁত সৰি সেলা হলোঁগৈ;
স্বৰ্গত থাকক মোৰ স্বৰ্গীয় গৰাকী,
তেওঁ হোৱা হলে
এনে কথা নকলে হেঁতেন।

পুষ্কৰ আৰু সুৰথীৰ প্ৰস্থান

জনাৰ্দ্দন। পালেহি ইমান সাহ!
পাব ত'স প্ৰতিকাৰ,

কাৰ বস্তু কোনে খায়
তাৰ একো চিনেই নহ'ব।
শুনিছ স্বৰূপ ?

স্বৰূপৰ প্ৰবেশ।

স্বৰূপ। কোন আজ্ঞা কৰিম পালন ?

জনাৰ্দ্দন। আঁহিছিলে পিঙ্গৰ বজাৰ মাল
মোক দেখা পাবৰ কাৰণে,
গ'লনে সি ?

স্বৰূপ। নাই যোৱা
আজ্ঞা পালে পাৰোঁ মাতি আনিব এতিয়া।

জনাৰ্দ্দন। আন মাতি—

স্বৰূপৰ প্ৰস্থান।

——ঠিক হ'ব।
পাইছোঁ মালক লগ ঠিক সময়ত।
মল্ল যুদ্ধ হ'ব কাইলৈ
প্ৰতিবাৰ কৰিব পিঙ্গৰে।

পিঙ্গৰৰ প্ৰবেশ।

পিঙ্গৰ। প্ৰণমো চৰণ।

জনাৰ্দ্দন। নতুন বজাৰ কিবা
আনিছানে নতুন খবৰ ?

পিঙ্গৰ। নাই একো নতুন বাতৰি;
পুৰণি খবৰ, অৱশ্যে শুনিছে—

বিশ্বপাল নতুন ৰজাই
ধৰ্ম্মপাল আপোন জ্যেষ্ঠক
দিলে খেদি বনবাসলৈ।
কেবাজনো বুঢ়া বিষয়ায়ো
ঘৰ-বাৰী বিশ্বপাল ৰজাকে শোধাই,
গ'ল গুচি ধৰ্ম্মপাল ৰজাৰ লগতে;
বিশ্বপালে আনন্দেৰে বস্তুৰ লোভত,
যেযে যাব খোজে
দিছে তাকে ৰঙ্গেৰে বিদায়।

জনাৰ্দ্দন। জানানে পিঙ্গৰ,
চন্দ্ৰাৱলী ধৰ্ম্মপাল ৰজাৰ জীয়াৰী
যাবনে লগতে বাপেকৰ,—
নাই, দিব ঠাই বিশ্বপালে ৰজাৰ ঘৰতে?

পিঙ্গৰ। বনলৈ নেযায় কুমাৰী,
নিদাৰুণ বিশ্বপালে
অতি স্নেহ কৰে কুমাৰীক।
তদুপৰি চন্দ্ৰাৱলী হেমাঙ্গলী দুয়ো
বাই-ভনী অতি মৰমৰ;
চন্দ্ৰাৱলী গ'লে বনলৈ
হেমাঙ্গলী কুমাৰীও নেথাকে ঘৰত;
দুয়োটি কুমাৰী, মৰমৰ আদৰ্শ চানেকি।

জনাৰ্দ্দন। জানানে থাকিব ক'ত
ধৰ্ম্মপাল ধাৰ্ম্মিক নৃপতি?

পিঙ্গৰ। সঠিক নেজানো একো;
শুনিছোঁ থাকিব হেনো নৈমিষ বনতে।
আনন্দ মনেৰে দিনে দিনে
যাইব লাগিছে নগৰৰ নগৰীয়া লোক,
দুখ শোক পৰিহৰি ৰজাৰ জগত,
কৰিছে বসতি গৈ নৈমিষ বনত।

জনাৰ্দ্দন। নতুন ৰজাৰ সন্তোষৰ বাবে
কৰিব খুজিছা হেনো
মল্লযুদ্ধ কাইলৈ ৰাজ-প্ৰাঙ্গনত?

পিঙ্গৰ। হয়, পাতিছে ৰজাই যুঁজ,
আহিছিলোঁ তাৰে কথা জনাবৰ মনে,—
শুনিছো পুষ্কৰে হেনো
কাইলৈ ভেৰ ধৰি দুৰন্ত সাহেৰে
মোৰে স'তে যুজিব খুজিছে;
নতুন ৰজাৰ প্ৰীতিৰ কাৰণে
আৰু মোৰ মৰ্য্যদাৰ বাবে
মাল-যুঁজ কৰিব খুজিছোঁ কাইলৈ;
যুঁজৰ বেলিকা হ'লে
নেচাম অলপো মই কাৰো মুখলৈ,
যাকে পাম তাৰে ভাঙ্গি হাৰ
দিম এৰি ৰাজ-প্ৰাঙ্গনত।
তোমাৰ মধ্যম ভাই নিচেই কোমল,
তাতে তুমি মোৰ মৰমৰ,

সেইবাবে কৰোঁ নিবেদন—
নিদিবা মিছাতে যাব
অনৰ্থক মৰিবৰ বাবে;
নতু, তাৰ অপমানে
কলঙ্কিত কৰিব তোমাকো;
মোৰ ওপৰত তুমি
নেৰাখিবা অলপো বেজাৰ ।

জনাৰ্দ্দন । (হাতত ধৰি) পিঞ্জৰ,
আজি মই পুলকিত তোমাৰ স্নেহত;
তাৰ বাবে শতধাৰে
মোৰ স্নেহো ঢালিম তোমাত,
অৱশ্যে পুষ্কৰ মোৰ ভাই মৰমৰ,
কিন্তু তাৰ দৰে দুৰন্ত মানুহ
নাই দেখা এই জগতত ।
কতনো বুজালোঁ, কত দেখুৱালোঁ,
নোৱাৰিলোঁ বিচলিত কৰিব অলপো ।
মল্লযুদ্ধ কৰিবৰ বাবে
ঠেং দাঙি আগবাঢ়ি আছে,
উপহাস কৰিছে তোমাকো ।
ইমান সাপৰ দৰে তাৰ পৰকিতি
পালে মোকো বধে এতিয়াই ।
যি কৰা কৰিবা,
তাত মোৰ নাই অসন্তোষ ।

কিন্তু ৰাখিবা মনত,
সাপ মাৰি বিষ যদি খোৱা নেগুৰত,
তাৰ মান নাই একো ভয়ৰ কাৰণ।
তোমাৰ যুদ্ধত
তাৰ প্ৰাণ অৱশ্যে হেৰাব;
কিন্তু যদি এৰি দিয়া আধা মৰা কৰি,
শেহত তোমাৰ প্ৰাণ টানত পৰিব,
একো নোৱাৰিলে—বিহ দিব,
কুট পৰামৰ্শ কৰি
প্ৰাণ ল'ব এদিন তোমাৰ।
তাই হেতু তাৰ কথা ক'লোঁ ইমানকে,
আৰু ক'লে ওলাব চকুৰ পানী,
তুমিও পিঙ্গৰ,
কথা শুনি খঙত জলিবা।

পিঙ্গৰ। সন্তোষৰ কথা;—প্ৰতিজ্ঞা কৰিলোঁ
অক্ষুণ্ন দেহেৰে সাৰি যায় যদি
যুঁজিম আৰু কেতিয়াও।

জনাৰ্দ্দন। দিলোঁ মই এতিয়া বিদায়;

পিঙ্গৰৰ প্ৰস্থান।

শেষ হ'ব সকলো নিশ্চয়,
পুৰুষৰ নাম আৰু ভুমাব পৰ্বত।
পঢ়া নাই তথাপি শিক্ষিত,
সকলোৰে অতি আদৰৰ,

সকলোৰে মোক বেয়া বোলে।
ইমান দিনত আজি
এটা শত্ৰু ক্ষয় মই কৰিলোঁ ধৰাত।

জনাৰ্দ্দনৰ প্ৰস্থান।

---

দ্বিতীয় গৰ্ভাঙ্ক।

ৰাজ প্ৰাঙ্গন।

হেমাঞ্জলী আৰু চন্দ্ৰাৱলীৰ প্ৰৱেশ।

হেমাঞ্জলী। কৰিছোঁ বাকৃতি বাইদেও,
নেথাকিবা মন মাৰি.
নকৰিবা মিছাতে বেজাৰ।

চন্দ্ৰাৱলী। প্ৰাণৰ ভনিটি, শক্তিৰো অতীত ৰং
দেখুৱাই ফুঁৰিছোঁ বাহিৰে।
কোৱা বাক, কেনেকৈ পাহৰিম
বনবাসী দয়ালু পিতাক?
পিতৃ মোৰ বনবাসী,
পাবোনে ফুৰিব নাচি
নেথাকিলে আনন্দ মনত?

হেমাঙ্গলী। তেন্তে বাইদেও,
মোৰ স্নেহ অনুসৰি
মোক তুমি নকৰা মৰম।
তোমাৰ পিতাৰে কৰা হ'লে বনবাসী
বিশ্বপাল নিষ্ঠুৰ পিতৃক মোৰ,
ধৰ্ম্মপাল তোমাৰ পিতাকে
ভাবিলোঁ হেতেন পিতৃ বুলি মোৰ;
সেই অনুৰূপে এক পিতৃ বুলি
তুমিও সন্তোষ ভাবে থাকা।

চন্দ্ৰাৱলী। আছোঁ মই সন্তোষ মনেৰে,
নিজৰ দৰিদ্ৰ দুখো
পাহৰিছোঁ তোমাৰ সুখতে।

হেমাঙ্গলী। মযে মা'থোঁ পিতাৰ সন্তান;
নাই কেওঁ মোৰ বিনে
পিতাৰ সম্পত্তি অধিকাৰী,—
পিতাৰ মৰণ হ'লে
হ'ম মযে ৰাজ্যৰ গৰাকী।
পিতাই এনেৰে যোৱা
পাব যদি তোমাৰ ভাগৰ,
সকলো তোমাক মই কৰিম অৰ্পণ।
সত্য কথা, সত্য কৰি ক'লোঁ,
বেজাৰ নকৰিব
থাকা তুমি আনন্দ মনেৰে

চন্দ্ৰাৱলী। বিধতাই নকৰে সমানে স্নেহ
সকলোকে এই জগতত,—
কাকো সুখী, কাকো দুখী,
কাকো কৰে সুখতে দুখীয়া।

ধনঞ্জয়ৰ প্ৰবেশ।

হেমাঙ্গলী। ক'ৰ পৰা ধনঞ্জয় আহিলি এতিয়া?

ধনঞ্জয়। এ—আছিলে মনত
পাহৰিলোঁ—ক'ৰ পৰা আহিলোঁ এতিয়া?
বাৰু, চাওঁচোন ভাবি।

চন্দ্ৰাৱলী। নকৰিবি ধেমালি ইয়াত,
ধেমালিৰ নহয় সময়।

ধনঞ্জয়। ধেমালি—ধেমালি মই নেজানো কৰিব;
ধেমালি কৰিছোঁ যদি,—সঁচা আইদেও!
আপোনাৰ মূৰ খাবলকে?

চন্দ্ৰাৱলী। কোনে তোক এনেকুৱা শপত শিকালে?
ধনঞ্জয়। আপোনাৰ পিতৃয়েক
ধৰ্ম্মপাল ৰজাৰ কেষত
এনে কথা বহুত শিকিলোঁ।

চন্দ্ৰাৱলী। নকবি পিতাৰ কথা,—
শুনিলে ৰজাই, বেঁতেৰে কোবাই
ছিঙিব পিঠিৰ চাল তোৰ।

ধনঞ্জয়। আহিছে পৰশু মিতা
শুনিবা কথাৰ কোব,—

পৰশুৰ প্ৰবেশ।

নমস্কাৰ ডাঙ্গৰীয়া।

হেমাঙ্গলী। যাকে তাকে ডাঙ্গৰীয়া বুলিব নেপায়,
ডাঙ্গৰীয়া তিনিজন মাথোঁ;
শুনিলে পিতাই, হব প্ৰতিকূল,
চিত্ৰগুপ্ত গগণ উধাবি।

ধনঞ্জয়। কি বুলিনো মাতিম মিতাক ?

হেমাঙ্গলী। ৰজাৰ আদেশ—
মান্যৱন্ত হয় যদি—দেও বুলি
সম্বোধন কৰিব পাৰিবি।
নতুন ৰজাৰ নতুন নিয়ম
ভাঙ্গিলে বিষম দণ্ড দিব।

পৰশু। আইদেওসকলক জনাব লগীয়া
আছে মোৰ কথা একেবাৰ।

ধনঞ্জয়। কোবা মোৰ লাহবি সোণাই,
কিনো কথা জনাব খুজিছা ?

পৰশু। এজন লোকৰ আছিল তিনটা ল'ৰা,
পিঞ্জৰ মালেৰে যুঁজি তিনিও মৰিল।

চন্দ্ৰাৱলী। মৰণ বাতৰি!
সেই কথা শুনিবৰ নাই প্ৰয়োজন।
কোৱা তুমি, আছে যদি
ক'ব লগা আন কিবা কথা?

পৰশু। মাল যুঁজ শেষ হোৱা নাই,—
থাকে যদি অভিলাষ চাবৰ কাৰণে
পাতিব আকৌ যুঁজ অলপ পৰতে;
এইবাৰ অতি কুমলীয়া
যুজাৰু এজনে
পিঞ্জৰৰ লগত যুঁজিব।

হেমাঞ্জলী। আহিছে কোনোবা সৌৱা,—
হ'ব পায় যুঁজৰে মানুহ।

বিশ্বপাল, পুষ্কৰ আৰু পিঞ্জৰৰ প্ৰবেশ।

বিশ্বপাল। বাধা নুশুনিলি,
মৰ যদি নিজেহে মৰিবি;
বুজালোঁ ভালকৈ বুলি,—নুবুজিলি,
মৰ্টৈগ মৰিব খুজিছ।

পুষ্কৰ। মৰিলে কান্দোতা নাই,—জিকিব পাৰিলে
নিজে মাথোঁ আনন্দ লভিম।

চন্দ্ৰাৱলী। এনেকৈ যুঁজিব আজি পিঞ্জৰ মালেৰে?

পৰশু। হয় আইদেও।

চন্দ্ৰাৱলী। কুমলীয়া লাৱণী শৰীৰ, কিন্তু—
জিকিব জিকিব যেন দেখিছোঁ মুখত।

বিশ্বপাল। তোমোলাক কোমল চিতৰ
সৰলা বালিকা,
যুঁজ চাবলৈ আহি বাট চাই আছা;
কিন্তু আজিৰ যুঁজৰ পৰিণাম
হ'ব হ'লে কান্দন লগীয়া;
যুঁজাৰ ভূজন যোৰ হোৱা নাই,—
এজন ডাঙৰৰ মাল অতি বলবান,
ইজন কোমল ল'ৰা
ছাঁত গজা ফুলৰ নিচিনা।
ইমান বুজালো তাক
হাক দিলো তাকো নুশুনিলে,
পৰা যদি তোমালোকে বুজাই-সঁজাই,
মন ভাগি দিয়া পঠিয়াই।
মতি আনি কোৱাচোন
শুনিলে শুনিব পাৰে
তোমোলাকে হাক দিয়া যদি।

হেমাঞ্জলী। পৰশু,—আনাচোন বাক—
যুঁজাৰুক এই পিনে মাতি।

বিশ্বপাল। বুজুৱা,—আতৰি যাওঁ মই।

পৰশু। ৰাজ-কুমাৰীয়ে বীৰ,
ক'ব খোজে কথা একেষাৰি।

পুষ্কৰ । কাণ পাতি আছোঁ,
যিবা কয় অংশ্যে শুনিম ।

চন্দ্ৰাৱলী । যুঁজিব খুজিছা হেনো পিঞ্জৰ মালেন্ধে ?

পুষ্কৰ । মই খোজা নাই ;
পিঞ্জৰেহে যুঁজিব খুজিছে ।

হেমাঙ্গলী । কোমল বয়স বীৰ,—ভাবি চিন্তি চোৱাঁ ;
দেখিছা পিঞ্জৰ কেনে
লোহময় দেহৰ গঠন,
যাকে ধৰে সেয়ে পৰে প্ৰাণো হেৰুৱায় ।
হাক দিছোঁ আমি, শুনা কথা—
অনাহক নেলাগে যুঁজিব ।

চন্দ্ৰাৱলী । ময়ো কওঁ শুনা বীৰ,
যুঁজত হাৰিলা বুলি খ্যাতি নেহেৰায় ।
ৰজাক জনাই আমি
যুদ্ধ আজি স্থগিত ৰাখিম ।

পুষ্কৰ । সুৰ সুন্দৰীৰ দৰে
মধুৰ লাৱণ্যময়ী আপোনালোকৰো
কথা আজি নোৱাৰো পালিব ।
পাওঁ যদি আশীৰ্ব্বাদ আপোনালোকৰ
সেয়ে মোৰ বাঞ্ছনীয় বৰ ;
মৰিলে কান্দোতা নাই,—
দিলে আজৰাই মোৰ থকা ঠাই খনি

আন কোনো উপযুক্ত লোকে
সেই ঠাঁই পূৰণ কৰিব।

চন্দ্ৰাৱলী। মোৰ ক্ষুদ্ৰ শকতিৰ সকলো সমৰ্থ
যেন যোগ হয় তোমাৰ দেহত।
যুঁজা তুমি বীৰবৰ,
সকলোৰে মুখত পৰক ছাই,
জয় লাভ কৰা তুমি আজিৰ ৰণত।

হেমাঙ্গলী। কামনা পূৰণ হক,—
কায়-মনো-বাক্যে মই
নিবেদিছো বিভুৰ পদত।

পিঙ্গৰ। কেনি আছ আহ আগবাঢ়ি,
মৰ-সাহ কৰি মৰিব খুজিছ,
বিচাৰিছ স্বৰ্গৰ জখলা!

পুষ্কৰ। নাই তেনে অভিলাস;—আগবাঢ়ি আছো।
স্বৰ্গৰ জখলা পালে
ধন্য ধন্য বুলিম তোমাক।

বিশ্বপাল। এবেলি মাথোন তই যুঁজিব পাৰিবি।

পিঙ্গৰ। সেইবাবে মহাৰাজে নেলাগে ভাবিব;
এবেলি পেটক পালে
আগবাঢ়ি নাহিব দুনাই।

চন্দ্ৰাৱলী। ভীমৰ ভীষণ বলে
ধৰেহি আবৰি যেন

কুমাৰৰ কোমল শৰীৰ ।
অভেদ কৱচ ৰূপে
ৰাখে যেন দুৰ্ব্বলীক
ভগৱন্তে যুঁজৰ মাজত ।

হেমাঙ্গলী । হ'ব পৰা হোৱা হ'লে অদৃশ্য শৰীৰ,
পিঞ্জৰৰ ভৰিত আঁজুৰি
পেলালোঁ হেতেন আজি যুঁজৰ মাজত ।

——পিঞ্জৰ আৰু পুষ্কৰৰ যুদ্ধ ।——

চন্দ্ৰাৱলী । জয় হ'ল, ঘাটিল পিঞ্জৰ ।

বিশ্বপাল । নেলাগে যুঁজিব আৰু ।

পুষ্কৰ । নহয় ৰাজন,
অনুমতি কৰক আকৌ ।

বিশ্বপাল । মান্তি তুমি আছানে পিঞ্জৰ ?

পৰশু । পিঞ্জৰৰ নাই গাত বোল ।

বিশ্বপাল । লৈ যোৱা পিঞ্জৰক !

——পৰশুৱে পিঞ্জৰক লৈ যায় ।——

কোন তুমি কোমল যুঁজাৰু,
পৰিচয় দিবানে তোমাৰ ?

পুষ্কৰ । পুষ্কৰ নামেৰে পৰিচিত মই,
পিতা মোৰ বীৰভদ্ৰ,
ধৰ্ম্মপাল ৰজাৰ বিষয়া ।

বিশ্বপাল। কোৱা হ'লে আন কাৰো নাম
লাগিল হেতেন মোৰ ভাল;
সকলোৱে পিতাৰক ভাল বুলিছিল,
মই কিন্তু সদাই দেখিলোঁ
মোৰ প্ৰতি বিদ্ৰোহ আচৰা।
সাহিয়াল ডেকা তুমি,—
বীৰভদ্ৰ মন্ত্ৰীৰ বাহিৰে
নোৱাৰানে ক'ব মোক আন কাৰো নাম?

বিশ্বপালৰ প্ৰস্থান।

হেমাঙ্গলী। হোৱা হলে মোৰ পিতা মই,
এনে কথা নকওঁ কদাপি।

পুষ্কৰ। মোৰ অতি গৌৰৱৰ কথা,
পিতা মোৰ বীৰভদ্ৰ।
লয় যদি বিশ্বপালে
নিজৰ সন্তান বুলি
কৰে মোক অতুল ৰাজ্যৰ অধিকাৰী,
তথাপিও নাম নসলাওঁ
মই সেই বীৰভদ্ৰ পিতাৰে সন্তান।

চন্দ্ৰাৱলী। মোৰ পিতা ধৰ্ম্মপালে
বীৰভদ্ৰ প্ৰাণতুল্য বুলি
কৈছিলে সদাই সভাত;
এই বুলি জনা হ'লে

কাবো কাকুতি কৰি
পুষ্কৰক নিদিলোঁ৷ হেতেন আজি
পিঞ্জৰৰ যুঁজত পৰিব।

হেমাঙ্গনী। কঠুৱা পিতাই
টান কথা ক'লে পুষ্কৰক;
আহা আমি কওঁগৈ আশ্বাস বচন।

চন্দ্ৰাৱলী। (এধাৰ চন্দ্ৰহাৰ দি)
তোমাৰ বীৰত্ব দেখি
মুগ্ধহৈ তোমাৰ গুণত
দিলোঁ৷ এই ক্ষুদ্ৰ উপহাৰ।
ময়ো অতি নিমাষিত তোমাৰ দৰেই
ক্ষুদ্ৰ উপহাৰ বুলি ঘিন নকৰিবা।
যাওঁনে ভনিটি আক?

হেমাঙ্গনী। যাওঁ আমি,—কিন্তু বীৰ, পিতাৰ কথাত
নকৰিবা একো অসন্তোষ।

পুষ্কৰ। কি কম নেজানো মই
জ্ঞান বুদ্ধি কেনিবা পলাল—
ভেল মাথোঁ৷ আছোঁ৷ ঠিয় হৈ।

চন্দ্ৰাৱলী। (ঘৈ উলটি আহি)
মাতিলে পুষ্কৰে যেন!
কি ক'ব খুজিছা বীৰ?
যুদ্ধত তোমাৰ সাহ, বলৰ প্ৰতাপ,
প্ৰসংশা কৰিব লগা।

হেমাঙ্গলী। নোৱোৱানে তুমি যাইদেও ?

চন্দ্ৰাৱলী। যাওঁ বাৰু———
আহিলোঁ এতিয়া আমি থাকিবা পুৰুৰ।

চন্দ্ৰাৱলী আৰু হেমাঙ্গলীৰ প্ৰস্থান।

পুৰুৰ। নোলায় মুখৰ কথা !
ক'ব খুজিলেও নোৱাৰোঁ ফুটাই ক'ব।
ৰাজ কুমাৰীয়ে, কথা পাতিবৰ মনে
আহিল উলটি
নোৱাৰিলোঁ মুখেৰে মাতিব।
পিঙ্গৰকো জিনিলোঁ ৰণত,
কিন্তু অবলা বালিকা
ৰাজ-কুমাৰীয়ে মোৰ
পৰাজয় কৰিলে হৃদয়।

পৰশুৰ প্ৰবেশ।

পৰশু। নেথাকিবা এই নগৰত;
গুণৰ আদৰ নাই,—
গুণী হ'লে দণ্ড পায় ৰাজ বিচাৰত।
তোমাৰ গুণত আজি
বিশ্বপাল পঙ্গত জলিছে।
সেইবাবে ক'লোঁ—নেথাকিবা তুমি,
যোৱা গুচি আন দেশলৈ।

আমাৰ দুৰন্ত ৰজা,
কাৰো তেওঁ ভাল গুণ দেখিব নোৱাৰে।

পুষ্কৰ। অৱশ্যে সুখৰ কথা
দিলা মোক সঙ্গ উপদেশ;
কিন্তু পাৰে'নে শুধিব
এতিয়া ইয়াত থকা দুইৰো মাজত
কোনটিনো ৰজাৰ জীয়াৰী ?

পৰশু। কথাৰে লাগিলে চাব
কোনোটিও নহয় জীয়েক;
তেও বুলি সকটিয়ে
বিশ্বপাল ৰজাৰ কুমাৰী।
সুকুমলা চন্দ্ৰাৱলী
পূৰ্ব্ব ৰজা ধৰ্ম্মপাল ৰজাৰ জীয়াৰী।
বাই ভনী দুয়ো অতি মৰমৰ
কাকো এৰি কোনেও নেথাকে।
উঠিছে ৰজাৰ খং,
সকলোৰে ভাল পোৱা বাবে
নিজ ভতিজাৰো হৈছে চকুৰ শাল।
কেতিয়াবা চন্দ্ৰাৱলী
দেশ এৰি পলাব লাগিব।
যোৱা আক,
পালে লগ সুশাসিত নতুন দেশত,
লম পৰিচয়, তোমাৰ গুণৰ বাবে

সমাদৰ কৰিম তোমাক।
পুৰুৱ। নেপাহৰোঁ কদাপি তোমাক।

পৰশুৰ প্ৰস্থান।

য'তে যাওঁ ত'তে মোৰ মিলে অমঙ্গল;
ঘৰতো সদাই অত্যাচাৰ,
দোষ আজি লগালোঁ বজাবো, কিন্তু—
চন্দ্ৰাৱলী বিৰাজিছে মোৰ হৃদয়ত।

পুৰুৱৰ প্ৰস্থান।

---

## তৃতীয় গৰ্ভাঙ্ক।

ৰাজ প্ৰাসাদ।

হেমাঙ্গলী আৰু চন্দ্ৰাৱলীৰ প্ৰবেশ।

হেমাঙ্গলী। কিনো তুমি ভাবি থাকা সদায় মনত ?
কাৰ কথা ভাবি কটোৱা সময়,
এপলকো নেথাকা পাহৰি ?
চন্দ্ৰাৱলী। কাৰো কথা নেভাবোঁ মনত;
মনত সন্তোষ নাই সদায় বেজাৰ,
দুখে শোকে ঠিক মৰো পুৰুৱৰ দৰে,—
বীৰভদ্ৰ মন্ত্ৰীৰ পুতেক

দেহি,—নিচেই দুখীয়া,
ককায়েকে নকৰে মৰম।
কৰিছিলে স্নেহ বাপেকক
পিতৃদেৱে মোৰ,
সেইবাবে মযো তাক কৰিম মৰম।

হেমাঙ্গলী। তোমাৰ পিতাৰে স্নেহ কৰা বাবে
লাগে যদি তোমাৰ মৰম,
হ'ব লাগে ঘৃননীয় মোৰ,—
কাৰণ পিতাই তাক দেখিব নোৱাৰে।

চন্দ্ৰাৱলী। তাক মই অতি স্নেহ কৰোঁ,
সেইবাবে তুমিও কৰিবা তাক স্নেহ।
কোন সোৱা আহে এই পিনে ?

বিশ্বপালৰ প্ৰবেশ।

বিশ্বপাল। বুজিলোঁ তোম'ৰ কথা যোৱা দেশ এৰি—
নোৱাৰা থাকিব আৰু,
নেথাকিবা মোৰ নগৰত।

চন্দ্ৰাৱলী। মযেনে দদাইদেও ?

বিশ্বপাল। হয়, তুমিয়েই, ভতিজা-জীয়াৰী ;
আজিৰ দিনৰ পৰা সাদিনৰ ভিতৰত
নগৰৰ সীমা যদি নোহোৱা বাহিৰ
নিশ্চয় বুজিবা তুমি প্ৰাণ হেৰুৱাবা।

চন্দ্ৰাৱলী। পাৰোনে জানিব মই কি দোষ কৰিলো।
জ্ঞান বুদ্ধি আছে এতিয়াও,
ভৰা নাই কোনো দিনে
আপোনাৰ একো অমঙ্গল,—
এতেকে ৰাজন,
কি দোষৰ বাবে মোক দণ্ড বিধানিছে ?

বিশ্বপাল। অবিশ্বাসী বিশ্বাস-ঘাতকী
সকলোৱে এইদৰে কয়।
মুখৰ নিচিনা মন হোৱা হ'লে
নাছিল সৰহ কথা আৰু;
তোক মই বিশ্বাস নকৰো—
সেয়ে তোৰ বুজিবি যথেষ্ট দোষ।

চন্দ্ৰাৱলী। আপুনি বিশ্বাস নকৰিলে
কদাপি নহওঁ মই বিশ্বাস-ঘাতিনী

বিশ্বপাল। পিতা তোৰ ধৰ্ম্মপাল—
দোষ তোৰ এয়ে গুৰুতৰ।

চন্দ্ৰাৱলী। ধৰ্ম্মপাল পিতা মোৰ
কাঢ়িলে ৰাজত্ব যেতিয়া
বনবাসী কৰিলে পিতাক;
বাপেকৰ ৰাজদ্ৰোহী গুণ
কদাপিও সন্তানৰ তেজত নেথাকে;
সেইবুলি কৰা নাই

ৰাজদ্ৰোহ মোৰ পিতৃদেৱে ।
মহাৰাজ, দীন হীন দুখীয়া বাবেৰে
মোৰ গাত দোষ নাৰোপিব ।

হেমাঙ্গলী । পিতা, কওঁ কথা শুনক দাসীৰ ।

বিশ্বপাল । আইদেও, তোমাৰ বাবেহে
পুহিছিলোঁ ভিতৰতে সাপ ।
নহ'লে সুখেৰে
তায়ো আজি বাপেকেৰে স'তে
থাকিল হেঁতেন কৰি বনতে বসতি ।

হেমাঙ্গলী । কৰা নাই মই হ'লে একো অনুৰোধ ;
নিজৰ ইচ্ছাত
চন্দ্ৰাৱলী কুমাৰীক ৰাখিলে দেশত,
বাপেকক দিলে বনবাস ।
এতিয়া ইমান দিন
একে লগে থাকি দুয়ো, একে লগে ফুৰি,
এখন্তেকো কাৰো পৰা কোনো
নেথাকি আঁতৰি,
টান হ'ল হৃদয়-বান্ধনি ;
বাইদেও ৰাজ-দ্ৰোহী যদি
ময়ো অপৰাধী—
এখন্তেকো চন্দ্ৰাৱলী
নাই থকা মোক এৰি ক'তো অকলৈ ।

বিশ্বপাল । নিতান্ত সৰলা তুমি
মানুহৰ চতুৰতা একোকে নুবুজা ;
সকলোৰে তাইহে মৰম পায়,
চতুৰ বুদ্ধিৰে
নিছে কাঢ়ি সুখ্যাতি তোমাৰ ।
আঁতৰিলে তাই
যাব বাঢ়ি জেউতি তোমাৰ ।
একোকে নক'বা তুমি,
অখণ্ড প্ৰতিজ্ঞা মোৰ——
চন্দ্ৰাৱলী হ'ল বনবাসী ।

হেমাঙ্গনী । দিয়ক আদেশ——
যাওঁ ময়ো বনবাসল'কে—
নোৱাৰোঁ থাকিব অকলৈ ।

বিশ্বপাল । নিতান্ত অবোধ তুমি ।
( চন্দ্ৰাৱলীক ) সোনকালে যোৱা,
সময়ৰ অতিক্ৰম কৰি
থাকিলে ইয়াত বৈ
অনাহকে প্ৰাণ হেৰুৱাবা ;
ৰজাৰ আদেশ নহ'ব খণ্ডন ।

বিশ্বপালৰ প্ৰস্থান ।

হেমাঙ্গনী । কেনি যাবা কোৱাঁ বাইদেও ?
সলাৰ খুজিলে পিতা

হোৱা তুমি হেমাঙ্গলী থাকা নগৰত,
হওঁ মই চন্দ্ৰাৱলী, খাটো বনবাস,—
তথাপিও নকৰা বেজাৰ বাইদেও ।

চন্দ্ৰাৱলী । হৃদয়ত লাগিছে বেজাৰ
কেনেকৈ লুকাওঁ বাহিৰে ?

হেমাঙ্গলী । ময়ো হ'লো বনবাসী;
নকৰা বেজাৰ বাইদেও ।

চন্দ্ৰাৱলী । কিয় তুমি হোৱা বনবাসী;
ৰজাৰ কুমাৰী তুমি
সুখে থাকা ৰাজ প্ৰাসাদত ।

হেমাঙ্গলী । মোৰ দৰে, তুমি মোক নকৰা মৰম;
পিতাই বিচাৰি লক,
ক'ত পাই নিজৰ সন্তান,
ময়ো যাম তোমাৰ লগতে;
সুখ দুখ ভুগিম তোমাৰে,
নেৰো কথা, নিশ্চয় জানিবা বাইদেও ।

চন্দ্ৰাৱলী । যাওঁ কেনি, দিব কোনে আমাক আশ্ৰয়

হেমাঙ্গলী । নৈমিষ বনত গৈ
ঠাই লম ধৰ্ম্মপাল ৰজাৰ কোষত ।

চন্দ্ৰাৱলী । তিৰোতা মানুহ আমি
কি ৰূপে ইমান বাট যাম ?

হেমাঙ্গলী। ছাই আলান্ধুৰে মুখ আবৰণ কৰি
যাম আমি ভেষ ধৰি কেৱে নিচিনিব।

চন্দ্ৰাৱলী। অলপ দীঘল মই, থাউকাল তুমি,
মই যদি মত্তা সাজ পিন্ধি
হওঁ মতা মানুহৰ দৰে,
শুধিলে কিৰাত বুলি কৈ
পাৰিম বাটেদি যাব, কেৱে নিচিনিব।

হেমাঙ্গলী। তেনে হ'লে হ'ম মহো কিৰাত কুমাৰী;
মাতিবা মেনকা বুলি মোক।

চন্দ্ৰাৱলী। মোক তুমি বুলিবা সুবাহু।
বাক, নোলাবনে ধনঞ্জয়ো আমাৰ লগতে?
ধনঞ্জয় থাকিলে লগত
পাহৰিম বাটৰ সকলো দুখ।

হেমাঙ্গলী। নিম তাক চলাই-ভুলাই,
মই ক'লে ধনঞ্জয় অৱশ্যে ওলাব।
লওঁ আমি মণি মুক্তা লগত যি পাবো;
সুবিধা সময় বুজি
ওলাম ঘৰৰ পৰা,
কেনি গলোঁ উদ্ধকে নেপাব।

দুইবো প্ৰস্থান।

# দ্বিতীয় অঙ্ক।

——:0:——

## প্ৰথম গৰ্ভাঙ্ক।

### নৈমিষ বন।

ধৰ্ম্মপাল, গদাপাণি আৰু দুজন লগৰীয়াৰ প্ৰবেশ।

ধৰ্ম্মপাল। থাকি থাকি অৰণ্যতো ভাল লগা হ'ল।
নাই দুখ শোক জৰা ব্যাধি
নাই খৰিয়াল,—বিপদ-কণিকা,
বনৰ মাজতো আমি
জীৱনৰ অমিয়া লভিছোঁ।
বতাহত আৰ লাগে, ৰ'দত উত্তাপ,
গম পাওঁ প্ৰত্যেক কথাতে
প্ৰকৃতিৰ প্ৰবল নিয়ম;
নাই কেওঁ অভিলাস সিদ্ধিৰ কাৰণে
দিয়ে মোক উচটাই প্ৰকৃতি বাহিৰে।
বিষাল কুবৃত্তাকাৰ সাপৰ দৰেবে
আছে বিপদতো
জীৱনৰ অমিয়া মাণিক।
গছৰ পাতত আৰু জানৰ পানীতো
শুনো কথা—পাওঁ উপদেশ,
পৰ্ব্বতেও কয় যেন

কিবা এটি গম্ভীৰ কাহিনী;—
সকলোতে মধুময় সুখ
বৰষিছে অমৃত ধাৰেৰে।

গদাপাণি। মহাৰাজ, মহত্বৰ আদর্শ গুণেৰে
দুখৰ মাজতো থাকি সন্তোষ লভিছে।

ধৰ্ম্মপাল। কৰিছোঁ মৃগয়া আমি নিশ্চিন্ত মনৰে;
নিতান্ত দুখৰ কথা—
অনর্থক জীৱজন্তু বধিছোঁ বনত;
আমি আহি সিহঁতৰ সুখ জীৱনত
অনাহক কৰিছোঁ ব্যাঘাত।

১ম নগৰীয়া। হয় মহাৰাজ,
পুৰন্দৰো সদাই ব্যাকুল;
এনে কথা দেখি-শুনি কয় পুৰন্দৰে,—
আপুনিহে যেনো অন্যায় স্বৰূপে
অৰণ্যত ৰাজত্ব কৰিছে;
নাই দোষ ভাম্বেকৰ,—তালকৈ চালে
আপুনিহে ততোধিক দোষ আচৰিছে।

ধৰ্ম্মপাল। কিয়, কেতিয়ানো
পুৰন্দৰে কলে এনে কথা?

১ম নগৰীয়া। সেই সক নৈ খনিৰ পাৰত
পুৰণি আহঁত গছ জোপা,—শিপাবোৰ
পৰিছে ওলমি গৈ নৈৰ পানীত,

তাৰ পাৰতে আছি আধা মৰা কৰি
সুগৰী হৰিণা এটা
এৰি গ'ল কোনোবা কিৰাতে,
তাকে দেখি পুৰন্দৰে চকু-পানী টুকি
বহুমান কথা কৈ বহিল কোষতে ;
নৈৰ শীতল পানী আনি
হৰিণাৰ মুৰত ঢালিলে,
কিন্তু হায়, হৰিণাই চকু নেমেলিলে।
তাতে পুৰন্দৰে
এইবোৰ কথা কৈ থাকিল উচুপি।
আনিব নোৱাৰি মাতি, এৰি তাতে
শুচি আমি আছিলোঁ এনেতে ;
এতিয়া'নো পুৰন্দৰে কি কৰিছে তাত
একো আমি ক'ব পৰা নাই।

ধৰ্ম্মপাল। আছিলানে এৰি তোমালোকে
পুৰন্দৰে উচুপি থাকোতে ?

২য় নগৰীয়া। হয় মহাৰাজ, হোৱা নাই বহুবেলি
ইচ্ছা হ'লে পাৰে চায়ো আহিব এতিয়া।

ধৰ্ম্মপাল। যাওঁ তেন্তে আনোগৈ তাক ;
ইচ্ছাধীন আমি,
যেনি যাব খোজোঁ যাওঁ তেনিয়েই
নগ ভাগ নেলাগে সৰহ।

২য় নগৰীয়া। আহক ৰাজন,
এতিয়াই সেই ঠাই পামগৈ আমি।

সকলোৰে প্ৰস্থান।

---

দ্বিতীয় গৰ্ভাঙ্ক।

---

জনাৰ্দ্দনৰ ঘৰ।

পুষ্কৰ আৰু সুৰথীৰ প্ৰবেশ।

পুষ্কৰ। কোন তাত?

সুৰথী। পুষ্কৰ,—পুষ্কৰ তুমি,
পিতাৰৰ প্ৰতিকৃতি পুষ্কৰ কুমাৰ,
কিয় তুমি হ'লা গুণশালী?
কিয় তুমি সকলোৰে হ'লা মৰমৰ,
কিয় শিষ্ট, শান্ত, বলধৰ তুমি?
পিঞ্জৰক যুঁজত জিনিলা
অমঙ্গল মিলিল তোমাৰ;
যেয়ে পিন্ধে অলঙ্কাৰ তাকে শোভা কৰে,
কিন্তু কণ্টক স্বৰূপে
খোজে খোজে বিপদ মিলায়;
তোমাৰ সকলো গুণ পবিত্ৰ যদিও

বিপদত শত্ৰু ৰূপে হাত ভৰি বান্ধি
দিছে আজি তোমাক পেলাই।

পুৰুৰ। কি কোৱা সুৰথী ?

সুৰথী। আজন্ম দুখীয়া তুমি সুখ নেজানিলা;
নোসোমাবা ঘৰৰ ভিতৰ।
তোমাৰ সুখ্যাতি শুনি
তোমাৰ প্ৰধান সহোদৰে,
নহয়,—তোমাৰ শত্ৰুৱে,—
ঘৰে স'তে জুই দি পুৰিব আজি,
নিশ্চিন্ত মনেৰে তুমি
যেতিয়া থাকিবা শুই ভিতৰ সোমাই;
তাকো নোৱাৰিলে
অন্য উপায়েৰে বধিব তোমাক,
শুনিলোঁ লুকাই থাকি সকলো মন্ত্ৰণা,
এইটো নহয় ঘৰ,—তোমাৰ জলন্ত চিতা,—
আতৰা ইয়াৰ পৰা
নোসোমাবা কদাপি ভিতৰ।

পুৰুৰ। ক'ত মই পাম ঠাই কোৱাঁ তেনেহ'লে।

সুৰথী। ঠাই তুমি পোৱাবা নোপোৱা,
কিন্তু নোসোমাবা ঘৰৰ ভিতৰ।

পুৰুৰ। কি কোৱা সুৰথী,—মগনীয়া হৈ
ভিক্ষা কৰি জীৱন নিয়াম ?

নাই, দিয়ানে থাকিব মোক
সঙ্গলৈ চোৰৰ লগত ?
কি কৰিম,—কিনো নকৰিম,
নোৱাৰোঁ কৰিব ঠিৰ।
একো ভয় নাই,
ঘাতকী ককায়ে মোক জুইৰে পোৰক
তথাপিও ভিতৰ সোমাম।

সুৰথী। কদাপিও এনে কাম নকৰিবা তুমি।
পিতাৰৰ দাস হৈ বহু যতনেৰে
ঘটিলোঁ হেজাৰ টকা,
থৈছোঁ গোটাই তাকে,
ভাবিছিলোঁ,—বুঢ়া বয়সত
কৰিব নোৱাৰা হ'লে
তাকে খাই জীৱন নিয়াম;
লোৱা তুমি,—সেই ধন দান দিলো আজি।
(ধন দি) স্ৰজিছে পৰমেশ্বৰে ফৰিং যেতিয়া
দিব টোপ, কদাপি নমৰোঁ।
যাম ময়ো তোমাৰ লগতে।
যদিও দেখিছা বুঢ়া বয়সৰ বাবে,
তথাপি দেহত আছে যথেষ্ট শকতি;
ভাং কাণি খোৱা নাই ডেকা বয়সত
ফুৰা নাই দুষ্টালি কামত
সেইবাবে আশী বছৰতো

আজি মই ডেকাৰ নিচিনা।
তোমাৰ লগত গৈ, বহু সময়ত
তুষিম তোমাক মই শক্তি অনুসৰি।

পুষ্কৰ। ভৃত্য তুমি!
কিন্তু হ'লে সত্যযুগ নহয় এতিয়া;
উপযুক্ত নোহোৱা কদাপি তুমি—
এনেকুৱা পাপৰ দিনৰ;
কোনো মতে কাল নিয়াবৰ বাবে,
নতু কোনো লাভৰ আশাৰে,
নাই লোৱা তুমি
স্বৰ্গগামী পিতাৰ আশ্ৰয়।
কৰ তুমি খুজিছা উভলা গছ,
কিন্তু, তোমাৰ দুখৰ আৰু যত্নৰ সমানে
তাত একো ফল নফলিব।
একো কথা নাই,—তোমাতে আশ্ৰয় কৰি
ক'ত পাৰোঁ লওঁ গৈ
জীৱনৰ কিবা এটা উপায় বিচাৰি।

সুৰথী। আগবাঢ়া, যাম মই তোমাৰ পিচতে,
প্ৰাণ থাকে মানে
বিশ্বাসৰ হেৰ ফেৰ এধানো নেপাবা।
যোল বছৰত আহি বসতি ল'লোহি
আজি আশী বছৰত
সেই ঠাই যাওঁ এৰি থৈ;

বুঢ়া বয়সত নতুন আশাৰে
জীৱনৰ বিচাৰো উপায়।
কাৰো ক'তো নেথাই একোকে ধাৰ
পাৰো যদি মৰিব সুখেৰে
তাতকৈ মোৰ আৰু
নেথাকিব একোতে সন্তোষ।

দুইৰো প্ৰস্থান।

---

তৃতীয় গৰ্ভাঙ্ক।

নৈমিষ বন।

চন্দ্ৰাৱলী (সুবাহু), হেমাঙ্গলী (মেনকা) আৰু ধনঞ্জয়ৰ প্ৰবেশ।

চন্দ্ৰাৱলী। লাগিছে ভাগৰ মোৰ।

ধনঞ্জয়। ভৰি যদি গৈ থাকে, লাগক ভাগৰ,
মই হ'লে কাণকে নকৰোঁ।

চন্দ্ৰাৱলী। আগবাঢ়া সাহেৰে মেনকা,
আমি মত্ত মানুহৰ দৰে
খোজ তুমি দিবা কেনেকৈ?

হেমাঙ্গলী। নোৱাৰোঁ নোৱাৰোঁ যাব আৰু,
এখন্তক জিৰোঁৱা ইয়াতে।

ধনঞ্জয়। শুদা গাটো দাঙ্গি নিব পাৰোঁ,
কিন্তু সৰহ কাপোৰ-কাণি দেখি
নোৱাৰোঁ কৰিব হ'লে সাহ।

চন্দ্ৰাৱলী। পালোঁহি নৈমিষ বন।

ধনঞ্জয়। ভাল মই অকৰা আছিলোঁ,
সুন্দৰ নগৰ এৰি
সোমালোঁহি হাবিৰ মাজত।

জয় আৰু বিজয়ৰ প্ৰবেশ।

দুয়ো ——— (গীত)

বিভাস———একতালা।

আজি তোমাক কৰিম পূজা চকুৰ পানীৰে।
হৃদয় ফুলৰ প্ৰণয় মালা পিন্ধাম ৰঙ্গেৰে।
হিয়াৰ আশা দিম বলি,
দিম সুখত জলাঞ্জলি,
তুমি পুৰাবা জগত খনি মধুৰ হাঁহিৰে।
কোমল হিয়া সুখে থ'বা,
প্ৰণয় ছবি হিয়াত ল'বা
আঁকি দিবা সুখৰ ছবি প্ৰেম-লেখনিৰে।

বিজয়ৰ প্ৰস্থান।

চন্দ্ৰাৱলী। ক'ৰ পৰা এই দুটা আহি
গালে এটা বিষাদৰ সুৰ ?
গীতৰ সুৰত মোৰ
চকু-পানী ওলাব খুজিছে।

ধনঞ্জয়। গীত শুনি কান্দোতে কান্দোতে
চকুৰ পানীৰে মই কাপোৰ তিয়ালো।
পালো মই হৃদয়ত ইমান আঘাত
মুখৰ কথাৰে মই নোৱাৰো বুজাব।

চন্দ্ৰাৱলী। কলি কথা জ্ঞানীৰ নিচিনা!
কিন্তু হলে নিজে তই একো বুজা নাই।

ধনঞ্জয়। কথাত নেথালে জুটি
কথা মই একোকে নুবুজো।

হেমাঞ্জলী। শোধোতোন সিহঁতক,—সোণৰ সলনি
দিবনে অলপ মোক
কিবা-কিবি খাবৰ কাৰণে।
যায় প্ৰাণ ভোক পিয়াহত
লৰ-চৰ নোৱাৰো কৰিব।

ধনঞ্জয়। হেৰা মিতা ?

চন্দ্ৰাৱলী। নেমাতিবি সেইদৰে,—
অচিনাকি সিহঁত আমাৰ।

জয়। কোনে মাতে ?

ধনঞ্জয় । তইঁতৰ ওপৰলা জনে ।

জয় । অৱশ্যে,—নহ'লে তেওঁ
হীন হ'ব সকলোতেকৈ ।

চন্দ্ৰাৱলী । বা'ক, শুনা মোৰ কথা,—
ধন দিলে, নতু আলহী পৰিলে
কৰবাত থাবলৈ পামনে ইয়াত ?
এই কুমলীয়া ছোৱালীটি
ভোকত বিহ্বল ; খোজ কাঢ়ি কাঢ়ি
ক্লান্ত হৈ ইয়াতে পৰিল ।

জয় । নিমাখিত প্ৰাণী মই,—
তলতীয়া লোকৰ চাকৰ ।
গৰাকী খঙাল অতি,
সজ বাট নেদেখে চকুৰে ।—
অতিথিক অভ্যৰ্থনা কৰা
নাই দেখা মোৰ জনমত ।
তদুপৰি গৰাকীৰ ধনৰ দেনত
ঘৰ-বাৰী সকলো বেচিব লগা হ'ল
ধৰি মেলি আনক লগতে মোৰ
যিবা পাৰো দিম সাদৰেৰে ।

চন্দ্ৰাৱলী । কোনে কিনি লব ঘৰ-বাৰী ?

জয় । মোৰ লগে লগে অহা সেইটো মানুহে
কিনি লব খুজিছে সকলো ।

চন্দ্ৰাৱলী। পাৰা যদি তুমিয়েই কিনি লোৱাচোন;
দিম আমি ধন-বিত যিমান লাগিব।

হেমাঙ্গলী। মেহনত কৰা বাবে ল'বা তুমি
যিহকে বিচাৰা; আমিও থাকিম তাতে,
ঠাই খনি লাগিছে আমাৰ বৰ ভাল।

জয়। পালে এনেকুৱা অনুগ্ৰহ
প্ৰভু ভক্ত ৰূপে
সেৱিম আপোনাসকলক;
যাওঁ আমি,—আহক এতিয়া।

সকলোৰে প্ৰস্থান।

---

## চতুৰ্থ গৰ্ভাঙ্ক।

### হাবিৰ বাট।

সুৰথী আৰু পুষ্কৰৰ প্ৰবেশ।

সুৰথী। নোৱাৰোঁ নোৱাৰোঁ যাব আৰু
পৰিলোঁ বাটতে।
অনাহাৰ,—ভোকত ইয়াতে আজি
প্ৰাণো হেৰুৱালো।

দিবা তুমি মাটি এচপৰা
নিদিবা শগুনে খাব ;
আহিলোঁ, বিদায় আৰু, থাকিবা পুষ্কৰ ।

পুষ্কৰ । কি কৰা সুৰথী,
থাকা তুমি খন্তেক থিৰেৰে,
এখন্তক নেৰিবা জীৱন ।
এই অৰণ্য মাজত দিহকে বা পাওঁ,
পাৰিলে আনিম তুমি খাবৰ কাৰণে,
নোৱাৰিলে হিংসক জন্তুৰ
হ'ম মই নিজেই আহাৰ ।
নিদিবা যমক তুমি ওচৰ চাপিব
এখন্তক থোৱা নিলগতে,
তুৰন্তে আহিম মই
পাৰিলে আনিম কিবা
নোৱাৰিলে একেবাৰে দিমহি বিদায় ।
কিন্তু মই উলটি অহাৰ
আগেয়ে জীৱন এৰি
নকৰিবা মোক তুমি মিছা উপহাস ।
দেখিছোঁ সতেজ,
বল আছে,—ভয় নকৰিবা ।
পৰি আছা চেঁচা বতাহত
আহাঁ, নিওঁ দাঙ্গি
থওঁ আনি গছৰ আৰত । (দাঙ্গি আনে)

কিবা যদি আছে অৰণ্যত
কদাপিও ভোকত নমৰা,
ধৈৰ্য্য ধৰি থাকিবা সুৰথী।

পুষ্কৰৰ প্ৰস্থান।

---

## পঞ্চম গৰ্ভাঙ্ক।

অৰণ্য।

ধৰ্ম্মপাল, গদাপাণি আৰু লগৰীয়াসকলৰ প্ৰবেশ।

ধৰ্ম্মপাল। গল কেনি পুৰন্দৰ,
ইমান পৰতো আহি নোলাল ইয়াত?

১ম লগৰীয়া। কৰবাত গান এটা শুনি
পুৰন্দৰ ৰসত বিভোল হৈ আছে।

ধৰ্ম্মপাল। গান শুনি পাইনে আনন্দ পুৰন্দৰে?

২য় লগৰীয়া। সোৱা তেওঁ এই পিনে আহিছে আপুনি।

পুৰন্দৰৰ প্ৰবেশ।

ধৰ্ম্মপাল। আনি ফল মূল আগত সজাই লৈ
তোমালকে আছোঁ বাট চাই।

পুৰন্দৰ । মহাৰাজ লগ পালোঁ হাবিৰ মাজত
ক'ৰবাৰ বহুৱালি গোৱা
অধা মুৰ্খ বিদুষক এটা,—
নাম শুধিলত ক'লে,—'ধনঞ্জয়' বুলি;
তাৰে কথা শুনি থাকোতে থাকোতে
বেলি হ'ল,—দোষ নধৰিব ।

ধৰ্ম্মপাল । কেনেকুৱা বিদুষক লগ পাইছিলা ?
কিনো কথা শুনি থাকোতে তোমাৰ
বিস্মৰণ হ'ল থাবলৈকো ?

পুৰন্দৰ । নহয় ৰাজন,
যেনেকুৱা কথা কৈছিলে
তাক এৰি নোৱাৰিলো বেগতে আহিব ।
মুৰ দাঙ্গি ওপৰৰ পিনে
ক'লে প্ৰথমতে,—
'এতিয়া দুপৰ বেলি হ'ল,
অলপ আগতে হৈছিল এপৰ মাথোন,
আৰু, খন্তেক পিচতে হ'ব
তিনি পৰ আজিৰ দিনৰ;
এইদৰে লগে লগে সময়ৰ
জীৱনবো ক্ষয় পাই যায়,——
তথাপি মানুহে ভাবে
আছে মৃত্যু বহুত দূৰত ।'

ধৰ্ম্মপাল । ক'লে দেখোঁ যথাৰ্থতে জ্ঞানৰ কথাকে ।

পুৰন্দৰ। মোৰো হ'লে মহাৰাজ, মন যায়
তাৰ দৰে বহুৱালি কৰি ফুৰিবৰে।
বহুৱাই যাকে তাকে গালি দিব পাৰে,
গালি খায়ো জ্ঞানীজনে আওকাণ কৰি
দেখুৱায় গম নোপোৱাৰ দৰে।

ধৰ্ম্মপাল। একো কথা নাই, ফুৰিবা বহুৱা পাই,
হ'বা তুমি বনৰ ৰজাৰ
বিদুষক ৰঙ্গৰ সহায়।

পুৰন্দৰ। মহাৰাজে পাতিলে বহুৱা মোক
নেভাবিব জ্ঞানী বুলি এতিয়াৰ দৰে;
মাননীয় বুলি মই
সমাজত ব্যাখ্যা নকৰিব।
তেনেহলে হৈ মযো বিদুষক
পাৰিম আনন্দ মনে ফুৰিব বনত।

গদাপাণি। আহে সোৱা কোন এইপিনে?

তৰোৱাল লৈ পুষ্কৰৰ প্ৰবেশ।

পুষ্কৰ। শুনালো হুকম,—
কোনেও নেখাবি একো।

গদাপাণি। কিয়, খোৱা নাই আমি
একোকে এতিয়াল'কে?

পুষ্কৰ। নেখাবি, নহয় মানে——
সমাপন মোৰ আৱশ্যক।

পুৰন্দৰ। ওলাল ইয়াত
ক'ৰ পৰা আহি এনে অসভ্য মানুহ ?

ধৰ্ম্মপাল। পৰি বিপদত,—
লভি নতু অসভ্যৰ মাজত জনম
কৰিছাহি এনেকুৱা কটু ব্যৱহাৰ ?

পুষ্কৰ। হয়, বিপদতে পৰি মই
হ'ব লগা হইছে কঠুৱা,
কিন্তু জানো কেনে মাৰ্জ্জিত সমাজ।
শুনিবি হুকুম,—
হাত দিলে খাদ্য সামগ্ৰীত
খণ্ড খণ্ড কৰি মই কাটিম ইয়াৰে।

ধৰ্ম্মপাল। কি লাগে তোমাক
কোৱা তুমি ভাল মানুহৰ দৰে;
ভদ্ৰ কথা ক'লে
বলেৰে নোৱাৰা কামো পাৰিবা কৰিব।

পুষ্কৰ। যায় প্ৰাণ আহাৰ নেপাই,
খোৱা বস্তু দিব লাগে মোক।

ধৰ্ম্মপাল। একো কথা নাই,
বহি যোৱা আমাৰ লগতে;
ফল মূল সামান্য বস্তুৰে
যথা শক্তি শুশ্ৰূষা কৰিম।

পুষ্কৰ। কোৱা দেখোঁ সাধুৰ নিচিনা কথা!
ক্ষমা কৰা,—ভাবিছিলো অসভ্য দেশত

নাই ক'তো ঠাঁই সভ্যতাৰ;
যদি দেখিছা সুখৰ দিন
শুনিছা কোমল কথা,
সভ্যতাৰে মাৰ্জ্জিত দেশত
যদি ধৰ্ম্মৰ ভাৱেৰে
দেখিছা হোমৰ ধোৱাঁ,—
পাইছা ধূপৰ গোন্ধ,
বুজিব পাৰিবা তেন্তে দুখ বোলে কাক।
হাতেৰে নোৱাৰা কামো
কথাৰে পাৰিম মই সাধন কৰিব,
সেইবাবে তৰোৱাল সামৰিলো মই।

ধৰ্ম্মপাল। বুজিছোঁ বিপদ বোলে কাক;
থাকি থাকি বিপদতে
বিপদেই ভাল লগা হইছে আমাৰো।
অতিথিক, ক্ষুধাৰ্ত্তজনক
অভ্যৰ্থনা কৰা ফল কেনে
তাকো আমি জানো।
ক্ষুদ্ৰ ফল মূল উপহাৰ
খোৱা বহি আমাৰ লগতে।

পুৰুৰ। আহিছিলোঁ, বিচাৰি নিবৰ বাবে টোপ
পোৱালীক থৈ নিলগতে,—
আছে বুঢ়া এটি, মোৰ মৰমত
সুখৰ সংসাৰ এৰি বনবাসী হৈ

ক্লান্ত হৈ পৰিছে বাটতে আহি,
যায় প্ৰাণ পাবলৈ একোকে নেপাই;
আনো মানে তাক মাতি
কৰিবনে খন্তেক অপেক্ষা ?

ধৰ্ম্মপাল । যোৱা তুমি তাকো আনাগৈ,
থাকিম ইয়াতে আমি একোকে নেখাওঁ ।

পুৰুৰ । ধন্য হোৱা তুমি
আশীৰ্ব্বাদ জানিবা আমাৰ ।

পুৰুৰৰ প্ৰস্থান ।

ধৰ্ম্মপাল । চোৱাঁ, নহওঁ কেৱল আমি দুখীয়া ধৰাত;
আছে এই বিশ্ব ভাৱনাত
বহুত দুখীয়া ভাৰৰীয়া ।

পুৰন্দৰ । ঠিক কথা ক'লে মহাৰাজ্ঞে,
অনিত্য সংসাৰ খনি ভাৱনাৰ দৰে ।
সাত বেলি দিওঁ দেখা আমি
সাতোটা মুখাৰে স'তে নতুন ভেষেৰে ।
প্ৰথমতে চালুকীয়া ল'ৰা
মাকৰ কোলাত উঠি থকা;
দ্বিতীয়ত শিক্ষা লাভ গুৰুৰ ঘৰত;
তৃতীয়ত নতুন প্ৰেমিক
সংসাৰীক সুখত বিভোল;
চতুৰ্থত জীৱন যুজৰ

প্ৰধান যুজাৰু,—
অৰ্থ সম্পত্তিৰ আকাংক্ষা মনত,
লোভ মোহ ধৰ্ম্মাধৰ্ম্ম বশ সকলোৰে ;
পঞ্চমত আদহীয়া, গহীন প্ৰকৃতি,
মেল শুধি ভাঙ্গি ফুৰে লোকৰ বিবাদ ;
ষষ্ঠত লাখুটি লোৱা
খোজে পতি থৰক-বৰক দেহ
মাতিৰ খুজিলে মাতো নুফুটে মুখত;
শেহত নতুন বাল্যকাল,
দাঁত নাই, মাত নাই,
যেনি নিয়ে সেই পিনে যায়,—
যৱনিকা পৰে ততালিকে।

যুৱতী আৰু পুৰুষৰ প্ৰৱেশ।

ধৰ্ম্মপাল। বহাঁ, বাট চাই বৈ আছো আমি।

পুৰুষ। ধন্যবাদ দিছোঁ মই দুইৰে [illegible]ন।

যুৱতী। নোলায় মুখৰ মাত
নোৱাৰোঁ একোকে ক'ব।

ধৰ্ম্মপাল। খাই বৈ ক্লান্তি দূৰ হ'লে [illegible]ৱীৰ
শুধিম সকলো কথা
পৰিচয় জানিম তোমাৰ।
পদ্মাপাণি, নতুন ভাবৰ
গান এটি শুনোৱা আমাক।

গদাপাণি ।——( গীত )

ঝিঝিট—আৰাঠেকা ।

কোনে কয় জীৱন গ'লে
মৰণ কাৰো ভাল নেলাগে,—
জীৱন মৰণ দুয়ো সমান
দুখে সুখে তাৰ ভাগে ভাগে ।
যেয়ে শুনে সেয়ে বোগে—
প্ৰাণ বিহনে মৰগ ভোগে,
আহঁা আমি সকলোৰে
কওঁ বিধতাক মৰণ লাগে ।

ধৰ্ম্মপাল । এবা, দেখিছো তোমাক মই
ধীৰভদ্ৰ মন্ত্ৰীৰ নিচিনা,
তেওঁৰে মধ্যম পুত্ৰ তুমি;
আছিল স্নেহৰ পাত্ৰ তেওঁ ।
আহা, বহাত সোমাই
শোধোঁগ সকলো কথাৰ বিৱৰণ;
বুঢ়া, তুমিও লগতে আহা,
লোৰা ধৰি যাব নোৱাৰিলে ।

সকলোৰে প্ৰস্থান ।

# তৃতীয় অঙ্ক।

—:0:—

## প্ৰথম গৰ্ভাঙ্ক।

—•—

ৰাজ-প্ৰাসাদ।

বিশ্বপাল আৰু জনাৰ্দ্দনৰ প্ৰৱেশ।

বিশ্বপাল। নাই দেখা তেতিয়াৰে পৰা ?
অসম্ভব—মিছা কথা !
স্বভাৱতে মই দয়ালু নোহোৱা হলে
আগত থাকোতে তই
নিবিচাৰোঁ পলোৱা মানুহ ;
সাৰিলো হেতেন
কাৰবাৰ হোৱ আজি কাৰবাৰ গাত !
জানিবি—আজিৰ পৰা
সাদিনৰ ভিতৰত,
শুলিয়ালে তোৰ ভায়েৰক,
হেৰুৱাবি সকলো সম্পত্তি তোৰ ;
য'তে আছে ত'ৰে পৰা আনিবি বিচাৰি,
তাকে যদি নোৱাৰ কৰিব
থাকিবৰ ঠাই তই নেপাবি দেশত।

জনাৰ্দ্দন। মহাৰাজে নিজে জানে
মই তাক পাওঁনে নেপাওঁ ভাল;
মোৰ জীৱনত তাক
নেচালো এদিনো ভাই বুলি।

বিশ্বপাল। পৰম পাষণ্ড তই,
কোনে পাৰ লৈ যাহি
ইয়াক টেটুত ধৰি;
যত মানে ধন বস্তু আছে
কাঢ়ি লবি সকলোকে;
দিবি খেদি দেশৰ বাহিৰ কৰি,
ততালিকে পালিবি আদেশ মোৰ।

দুইৰো প্ৰস্থান।

---

দ্বিতীয় গৰ্ভাঙ্ক।

অৰণ্য।

পুৰুৰৱ প্ৰৱেশ।

পুৰুৰ। (কাগজ পঢ়ি)
ইয়াতে ওলমি থাকা প্ৰণয় কাহিনী,
চাই থক জোনবায়ে ওপৰৰ পৰা;

দেখিব হিয়াৰ ফুল যায় ফেনি ফেনি
বুজিব—হৃদয় মোৰ প্ৰণয়েৰে ভৰা ।
পুণ্যৱতী চন্দ্ৰাৱলী, গছৰ ছালত
লেখিম তোমাৰ গুণ মৰম লেখিম,
লেখিম তোমাৰ নাম কবিতা সুৰত,
য'তে চকু পৰে ত'তে তোমাক দেখিম;
সুন্দৰ লাৱণ্যময়ী তোমাৰ গঠন,
কোৱা দেবি, কাৰ তুমি হৃদয়ৰ ধন ?

পুষ্কৰৰ প্ৰস্থান ।

জয় আৰু ধনঞ্জয়ৰ প্ৰবেশ ।

জয় । কেনেকুৱা পাইছা ইয়াত ধনঞ্জয়
লাগিছেনে ভাল এই কিৰাত জীৱন ?

ধনঞ্জয় । নিৰ্জ্জন কাৰণে ভাল লাগে মোৰ,
কিন্তু নগৰ নোহোৱা বাবে
নেলাগে সিমান ভাল;
নাই একো ৰাগ-ৰাল ভাল সেই বাবে,
কিন্তু বং ধেমালিৰ হ'লে নিচেই ভাকৰ ।
বুজিলিনে মোৰ কথা,—
খোৱাৰ বাহিৰে জাননে সৰহ কিবা ?

জয় । জানো বুলি নিচেই তাকৰ;
জানো,— জুয়ে পোৰে,
নিপোটল গৰু হয় ভাল খাবলৈ;

হয় নিশা সূৰ্য্য নথকাৰ বাবে ।

ধনঞ্জয় । ভাল কথা একোকে নেজান;
দেখিছনে কেতিয়াবা ৰজাৰ নগৰ

জয় । নাই দেখা, কিন্তু হ'লে
দেখিছোঁ বহুত হাবি ।

ধনঞ্জয় । তেনেহ'লে নৰক ভুগিবি ।

জয় । নোভোগো নৰক ।

ধনঞ্জয় । নিশ্চয় ভুগিবি ।

জয় । নগৰ নেদেখা বাবে, কিয় ?

ধনঞ্জয় । নাই দেখা নগৰ যেতিয়া
নাই দেখা ভাল মানুহৰ
তই ভাল ব্যৱহাৰ,—
নাই শিকা ভাল কথা একো
নাই শিকা ভাল কথা যদি
বেয়া কথাকেহে তই সদাই শিকিছ;
বেয়া কথা শিকিলি যেতিয়া
পাপত পৰিছ,
সেইবাবে নৰক ভুগিবি ।

জয় । সৰ্ব্বনাশ এই দৰে হ'লে—
সকলো অসাৰ ।
নহয় তোমাৰ কথা, নোভোগো নৰক ।

কৰা নাই কাৰো অপকাৰ
কিবাবত নৰক ভুগিম ?

ধনঞ্জয়। আছিছে সুবাহু
নতুন গৰাকী এই পিনে।

চন্দ্ৰাৱলীৰ প্ৰৱেশ।

চন্দ্ৰাৱলী। ( কাগজ পঢ়ি )
উদয় গিৰিৰ পৰা অস্ত গিৰিল'কে
চন্দ্ৰাৱলী একেটি ৰতন,
সুগন্ধ বায়ুত বয় চন্দ্ৰাৱলী নাম
সুবাসিত অতি মনোৰম ;
নেথাকিব আন একো মোৰ হৃদয়ত
চন্দ্ৰাৱলী থাকোতে মনত।

ধনঞ্জয়। ক'ত পালে আইদেও,—
এ নহয়—নতুন গৰাকী,
এনেকুৱা সুন্দৰ কবিতা
ক'ত পালে নতুন গৰাকী ?

চন্দ্ৰাৱলী। আছিল গছৰ গাতে তাতে পালো মই।

ধনঞ্জয়। গছতো কবিতা ফুল ফুলে ?

চন্দ্ৰাৱলী। আছিছে ভনিটী মোৰ।
ৰবিছোন, নকবিবি ধেমালি এতিয়া।

হেমাঙ্গলীৰ প্ৰৱেশ।

হেমাঙ্গনী । ( কাগজ পঢ়ি )

কোনে কয় হাবিয়নি নিমাত নিতাল,
নাই কতো জীৱনৰ গীত,
প্ৰত্যেক গছকে মই গীতৰ ভৰাল,
কৰিম সকলো হ'ব ভীত ।
চন্দ্ৰাৱলী জনমৰ নতুন কাহিনী
সকলোকে শুনাম বনত,
কিৰূপে জন্মোতে তেওঁ হ'ল দৈব-বানী'
গাম মই কোমল সুৰত ।
তিলোত্তমা অনুৰূপ যাৰ উতপতি
অলকাৰ গুণেৰে ভূষিত ।
আদৰ্শ সৃজন যাৰ আদৰ্শ প্ৰকৃতি—
শুনিলে সকলো আচৰিত ।

চন্দ্ৰাৱলী । আক আছে যদি শুনোৱা কবিতা
মধুময় অমৃত সুৰেৰে ।

ধনঞ্জয় । সংসাৰ ভৰিল কবিতাৰে,
এই অৰণ্য মাজত
ইমান কবিতা আনি
কৰ পৰা কোনে উলিয়ালে !
অৰণ্যত নকৰেনে কথা ব্যৱহাৰ
কবিতাকে কয় মুখে মুখে ?

হেমাঙ্গনী । অলপ আতৰা ধনঞ্জয়,
যক জন্মো তোমাৰ লগতে ।

ধনঞ্জয়। আঁহা, আমি ভালে ভালে
এনেয়ে আতৰো সোনকালে।

জয় আৰু ধনঞ্জয়ৰ প্ৰস্থান।

হেমাঙ্গলী। জানিছানে বাইদেও,
এনেকুৱা কবিতাৰে
গোটেই অৰণ্য খনি পৰিপূৰ্ণ হ'ল।

চন্দ্ৰাৱলী। মাজে মাজে দেখিছোঁ গছত
সুন্দৰ কবিতা, কিন্তু ঠায়ে ঠায়ে হ'লে
ত্ৰুটি এটি আখৰ পৰিছে।

হেমাঙ্গলী। তোমাৰ নামেই দেখোঁ আছে সকলোতে;
জানানে লেখিছে কোনে?

চন্দ্ৰাৱলী। কোনোবা মানুহে।

হেমাঙ্গলী। শোভিছে ডিঙ্গিত যাৰ
তুমি দিয়া চন্দ্ৰহাৰ ডালি।

চন্দ্ৰাৱলী। কোন তেওঁ,—কোৱাচোন বাক?

হেমাঙ্গলী। নাই বুজা তুমি?
দেখোতে উঠিছে তেজ তোমাৰ গালত।

চন্দ্ৰাৱলী। হয়, একো বুজা নাই।

হেমাঙ্গলী। অসম্ভৱ!

চন্দ্ৰাৱলী। কোন বাক, কোৱাঁ সঁচাকৈয়ে।

হেমাঙ্গনী। আচৰিত কথা,
একোকে সুবুদ্ধা হ'লা তুমি বাইদেও!

চন্দ্ৰাৱলী। নকৰিবা মিছাৰ ধেমালি,
কোৱাঁ মোক, কোন তেওঁ দেখিলানে তুমি?

হেমাঙ্গনী। দেখিলো,—পুৰুষ।

চন্দ্ৰাৱলী। পুৰুষ?—উপহাস নকৰিবা মোৰে।

হেমাঙ্গনী। নাই কৰা উপহাস যথাৰ্থ পুৰুষ।

চন্দ্ৰাৱলী। কি কৰিম বুধি পোৱা নাই;
আছোঁ মই মতাৰ সাজত,
কি বুলিব দেখিলে পুৰুষে মোক!
ক'ত আছে তেওঁ, কি কৰিছে?
কেনেকৈনো দেখা পালা তুমি?
কিবা কথা পাতিছিলা জানো?
মোৰ কথা শুধিছিলে জানো?—
কোৱা মোক একেটি কথাতে।

হেমাঙ্গনী। মই জানো কুম্ভকৰ্ণ বীৰ,
তাঙ্গৰ মুখেৰে
এনেকুৱা সৰহ প্ৰশ্নৰ
পাৰো দিব একেষাৰ কথাতে উত্তৰ?

চন্দ্ৰাৱলী। জানিছেনে বাৰু তেওঁ
আছোঁ বুলিময়ো এই নৈমিষ বনতে?

হেমাঞ্জলী। কাৰ নো মনৰ কথা কোনে ক'ব পাৰে ?
শুনা বাক কওঁ ভাঙ্গি-পাতি।

চন্দ্ৰাৱলী। কোৱা,—কাণ পাতি আছো।

হেমাঞ্জলী। ৰ'বা,—আহিছে পুষ্কৰ।

চন্দ্ৰাৱলী। থাকোঁ আমি অলপ আঁতৰি।

পুষ্কৰ আৰু পুৰন্দৰৰ প্ৰৱেশ।

পুৰন্দৰ। ভাল হ'ল লগ পালোঁ বাটতে তোমাক ;
সেই বুলি অকলশৰীয়া হোৱা হ'লে
ভালহে আছিল আৰু মোৰ।

পুষ্কৰ। মোৰো সেয়ে, তেও বুলি তোমাক পোৱাত
নাই মোৰ একো অসন্তোষ।

পুৰন্দৰ। সদায় চিনাকি হৈয়ে থকা
মই হলে নেদেখোঁ সকাম।

পুষ্কৰ। তোমাৰ নিচিনা মানুহেৰে
অচিনাকি হৈ থকা ভাল শত গুণে।

পুৰন্দৰ। গছবোৰ কাটি-কুটি
নষ্ট কৰা নিতান্ত অন্যায়,
নেলেখিবা ঠেও লগা সুবুজা কবিতা।

পুষ্কৰ। মন গ'লে লেখিম কবিতা,
নপঢ়িবা বেয়া পোৱা যদি।

পুৰন্দৰ । চন্দ্ৰাৱলী নাম শুনি
ভাল লাগে তোমাৰ ম'থোন,
মোৰ হ'লে খং উঠি আছে ।

পুষ্কৰ । জনমেতে চন্দ্ৰাৱলী
নাম দিলে যেতিয়া বাপেকে,
সন্তোষ নাপাবা বুলি তুমি
সপোনতো নেভাবিলে তেওঁ ।

পুৰন্দৰ । ভগ্ন হ'ব কিমান তোমাৰ চন্দ্ৰাৱলী ?

পুষ্কৰ । হিয়াৰ সমান মোৰ ।

পুৰন্দৰ । তোমাৰ লগত মোৰ ভাল লগা নাই,
দিছা মাথোঁ অপমান কথাই কথাই ।

পুষ্কৰ । বেয়া যদি লাগিছে তোমাৰ, যাব পাৰা,
মই হ'লে ধৰি ৰখা নাই ।

পুৰন্দৰ । বেচ কথা,—আহিলোঁ এতিয়া ।

পুষ্কৰ । বেচ কথা,—যোৱাগৈ এতিয়া ।

পুৰন্দৰৰ প্ৰস্থান ।

চন্দ্ৰাৱলী । কোন তুমি সুন্দৰ যুবক,
পৰিচয় পামনে তোমাৰ ?

পুষ্কৰ । কি বুলিনো দিম পৰিচয়,
চিৰদিন দুখকে ভুগিলোঁ

সুখ নেজানিলোঁ;
পৰিচয় এয়ে মোৰ,—
পৃথিবীত মোৰ দৰে
নাই কোনো দুখীয়া মানুহ।

চন্দ্ৰাৱলী। ইয়াৰ বাহিৰে আৰু
নাইনে বিশেষ পৰিচয়?

পুৰুষ। থাকিলেও নাই প্ৰয়োজন।
কোন তুমি মিষ্টভাষী অৰণ্য নিবাসী,
ক'ত তুমি শিকিলা মধুৰ কথা এনে?

চন্দ্ৰাৱলী। জন্ম মোৰ কিৰাত কুলত,
পিতৃ মোৰ আছিল ৰজাৰ লগৰীয়া,
তেওঁৰ কোষত থাকি
শিকিলোঁ বহুত কথা;
বাস মোৰ এই অৰণ্যতে।

পুৰুষ। নেদেখোঁ তোমাক কিন্তু কিৰাতৰ দৰে;
নাই মোৰ বন্ধু কোনো এই অৰণ্যত,
গ'লে কেতিয়াবা পামনে তোমাক লগ?
নোযোৱা-নুপুৱা কাল
দিবানে নিয়াব তুমি সঙ্গ আলাপেৰে?

চন্দ্ৰাৱলী। ময়ো অতি অকল-শৰীয়া;
মই আৰু মোৰ এই কোমল ভনিটি
দুয়ো আমি একে লগে থাকোঁ।

যোৱা যদি কেতিয়াবা
দুখীয়াৰ দুখীয়া পজাত
কৰা যদি পৱিত্ৰ চৰণ দান,—
ভাগ্যৱন্ত বুলি মই ভাবিম নিজকে।

পুৰুৰ। ব'লা তেন্তে দেখুৱাচোঁ কেনি থাকা তুমি।
বিশেষ এতিয়ালকে
ক'তো মোৰ নাই থকা ঠাই;
কিবা এটি ভাল মোৰ
লাগিছে তোমাক দেখি,—
কি নাম তোমাৰ ?

চন্দ্ৰাৱলী। সুবাহু বুলিলে মোক চিনে সকলোৱে,
ভনিটিক মেনকা বুলিবা।

সকলোৰে প্ৰস্থান।

---

তৃতীয় গৰ্ভাঙ্ক।

---

এজোপা গছৰ তল।

ধনঞ্জয় আৰু বকুলীৰ প্ৰবেশ।

পিচত পুৰন্দৰ।

ধনঞ্জয়। আহাঁ বকুলী, তোমাৰ গৰু কেইটা মৱেই আনিম, তুমি দুখ পাবা। মই বাৰু বেয়া মানুহ নে ?

বহুলী। মই জানো তোমাক বেয়া বুলিছোঁ ?

ধনঞ্জয়। গৰুৰ আগত টোকাৰী বায়, কাণ-মূৰ জোকাৰি ঘাঁহ খায় ;—বোলো মই ভাল মানুহ নহওঁ জানো ?

পুৰন্দৰ। (সুগুনাকৈ) জ্ঞানৰ প্ৰতাপ চোৱাঁ, কেনে ধুনীয়া যোজোনা দিছে !

ধনঞ্জয়। অবুজনক বুজুৱাও যেনে, শেকৰা ঠাৰি সিজিৱাও তেনে; বোলো মোৰ কথাকে যদি সুবুজা তেনেহলেনো আমি দুয়ো কেনেকৈ একেলগে থাকিম ? হায়, হায়, মোৰ ঈশ্বৰে তোমাক আৰু অলপ বুজন কৰা হ'লে !

বহুলী। কেলেই, মই জানো এতিয়া বুজন নহওঁ ?

ধনঞ্জয়। দেখোতে হ'লে বুজন, কিন্তু কথাত বুজন নোহোৱা; অলপ আৰু পৈনত হ'ব লাগিছিল।

পুৰন্দৰ। (সুগুনাকৈ) অধামূৰ্খ !

বহুলী। পিচে আমাৰনো বিয়াৰ দিন হৈছে কাহানিকৈ ?

ধনঞ্জয়। একো ঠিক হোৱা নাই, সনাতন পণ্ডিত এতিয়াই আহিব, চাই-চিতি দিবহি।

পুৰন্দৰ। বাক পণ্ডিতেনো আহি কি কয় শুনিয়েই যাওঁ।

ধনঞ্জয়। প্ৰথমতে বিদ্যা উপাৰ্জ্জন,—সেই দফা আমাৰ হ'লেই। দ্বিতীয়ত ধন আৰ্জ্জন,—ধন মোক নেলাগেই। তৃতীয়ত তোমাক লাভ কৰা হৈছে—অৰ্থাৎ ক'বলৈকে লাজ লাগে,—গৃহবাস। তুমি মোৰ ধৰ্ম্মপত্নী হ'বা; সুখে দুখে জীৱনে

মৰণে তুমিও মোক বঞ্চনা নকৰিবা, মষ্যো নকৰোঁ । সপত্নীকং ধৰ্ম্মমাচৰেৎ অৰ্থাৎ আমি দুয়ো অধৰ্ম্মত ভৰিকে দিব নেপাম্‌” ।

বহুলী । ইমানবোৰ কথা শুনি মোৰ গাত পিৰ-পিৰণী উঠিছে আৰু জিভাত চূণে ডকাৰ দৰে ডাকিছে । অধৰ্ম্মনো কিহক বুলিছা ।

ধনঞ্জয় । অৰ্থাৎ অধৰ্ম্ম হৈছে সংযম আৰু সংযম হৈছে আমাৰ অবঁয়ব ; এতিয়া বুজিলা নহয় ?

বহুলী । বুজিলোঁ । সৌ গৰাকীনো কোন আহিছে ?

ধনঞ্জয় । আমাৰ সনাতন পণ্ডিত ।

সনাতনৰ প্ৰবেশ ।

ধনঞ্জয় । দেউ সেৱা কৰিছোঁ; হেৰ চুৰা-খাতী সেৱা কৰ ।

সনাতন । কন্যা এবেঁই হ'বলা ?

ধনঞ্জয় । কন্যা বুলিব নোৱাৰি, বুঢ়ীয়েই হ'ল ।

সনাতন । হওঁতে জোৰা-সম্প্ৰদা আহিছে, অৰি-ষড়ষ্টক । পিচে বৰ দোষ, কাল দোষ আৰু দৈব দোষ,——এতেকে ভাল এসেৰ মান গাখীৰ ওলোৱা খীৰঁতী গৰু একনী দানং দদ্যাৎ অৰ্থাৎ মোক দিব লাগিব ।

বহুলী । দেউ, আমাৰহে ভাল হ'ব লাগিছে, গৰু অনী একো বস্তু নহয় ।

সনাতন । পিচে কন্যাদাতা হয় কোন ? দান দিব লাগিব নহয় ?

ধনঞ্জয়। মই দান নলওঁ, আপুনিহে দান লয়।

সনাতন। কন্যাদাতা নহলে বিয়াই নহয়।

পুৰন্দৰ। (আগবাঢ়ি) মই দিম, মই দিম একো কথা নাই

ধনঞ্জয়। ভাল বহালোঁ বাপেকে; হয় ডাঙৰীয়া, এই আপোনাক কি বোলে বালক! সিবেলিৰে পৰা আক আজিহে লগ পাইছোঁ। (বহুলীক) হেৰ ভিনীহিয়েৰক চিনি পাইছনে!

বহুলী। মোৰ ভিনীহিয়েই নাই।

ধনঞ্জয়। চুৰা-খাতী বোল কি হয় এটা; ভিনীহি বুলিলে জানো খয় যাবি!

পুৰন্দৰ। তোমাৰ নিচিনা ভাল মানুহ এজনৰ বিয়া এই অজগৰলটোৰ হতুৱাই কেলেই কৰোৱা। ভাল চাই উদাসীন বামুণ এজনৰ হতুৱাই বিয়া খন পাতা। মিছাকৈ লেপ্-ধেপ্ কৰাই নথৰা।

ধনঞ্জয়। এৰা এওঁক আকৌ গৰু এজনী লাগে। মোৰো আকৌ হোম পোৰা বিয়া খন পাতিবৰ মন নাই চকলং এখন কৰি থব পাৰিলেই হয়।

পুৰন্দৰ। শুচি আহঁা, এইডাল একো পণ্ডিত নহয়।

ধনঞ্জয়। বহুলী আহা যাওঁগৈ। দেউ, নমস্কাৰ, যাবগৈ আক, আপোন'ৰ লগত আমাৰ একো সকাম নাই।

ধনঞ্জয়, বহুলী আক পুৰন্দৰৰ প্ৰস্থান

সনাতন। এনেকৈ ভাল মানুহক মস্কৰা কৰে? কতা

তইঁত হতশ্ৰী হবি। সোনকালে নাও নুমাব, বৰ পুতেৰৰ মুখ খাবি, ঘৰত জুই লাগিব, শেহত গাত পোক দি মৰিবি; আৰু বংশও লোপ হব। তইঁতৰ নিচিনা এজাক বান্দৰে জানো মোক বামুণ ভাঙিব পাৰিবি।

সনাতনৰ প্ৰস্থান।

---

চতুৰ্থ গৰ্ভাঙ্ক।

---

কুটিৰ।

চন্দ্ৰাৱলী আৰু হেমাঙ্গলীৰ প্ৰবেশ।

চন্দ্ৰাৱলী। থাকি থাকি কেতিয়াবা মোৰ
কান্দিবৰ মন যায় কিয় ?

হেমাঙ্গলী। তোমাৰ কোমল অন্তৰত
কিবা কিবি দুখৰ কথাই
থাকে পেলি সকলো পৰতে;
সেই বাবে ভিতৰৰ ভাৰ বোৰ
চকুয়েদি জৰি জৰি
পানীহৈ পৰে বাহিৰত।

চন্দ্ৰাৱলী। অৰণ্যত থাকি বহু দিন,
বহু দিন নগৰ নেদেখি
মন মোৰ লাগিছে চঞ্চল।

পুৰুষক দেখিলো সিদিনা
অনুৰোধ শুনি আহিলো এদিন,
কিন্তু নোৱাৰিলে মুখেৰে মাতিব

হেমাঙ্গলী। ঠিক কথা ওলাল এতিয়া;
সেইবাবে থাকি থাকি
মন যায় কান্দি পেলাবৰ।

চন্দ্ৰাৱলী। নহয় ভনিটি,
কৈছিলে পুৰুষে সিদিনা
আকৌ আহিম বুলি আজি;
অন্ত পৰ হৈ গ'ল
তথাপিও নাহিল পুৰুষ।
সেইবাবে পৰিছে মনত মোৰ
পুৰুষৰ কথা।

হেমাঙ্গলী। সিদিনা আহোঁতে
নোৱাৰিলে আমি কোন
চিনকে ধৰিব।

চন্দ্ৰাৱলী। কৈছিলে,—মোৰ গাত দেখিছিলে হেনো,
আহ-জাহ কোনোবা চিনাকি মানুহৰ।

হেমাঙ্গলী। যিটো ভেষ ধৰিছো ইয়াত
কোনে চিনে, কাৰ সাধ্য পায় পৰিচয়!

চন্দ্ৰাৱলী। পুৰুষে ললেহি ঠাই পিতাৰ লগতে।

হেমাঙ্গলী । অত্যাচাৰ সহিব নোৱাৰি
অৰণ্যত ললেঁহি আশ্ৰয়;
পালে আহি ৰাম-ৰাজ্য
শান্তিময় বনৰ মাজত ।

চন্দ্ৰাৱলী । সিদিনা পিতাই শুধিছিলে মোক,—
"কোন তুমি, কোন বংশ জাত" ?
ক'লোঁ মই,—"তোমাৰ নিচিনা
জন্ম মোৰ উত্তম কুলত" ।
হাঁহিলে পিতাই
কিন্তু নোৱাৰিলে চিনকো ধৰিব ।

হেমাঙ্গলী । আহাঁ, আগবাঢ়ি যাওঁ
আছে আজি পুষ্কৰতে ধাউতি তোমাৰ ।

চন্দ্ৰাৱলী । ব'লা,—এই বাটে যাওঁ,
বৈ থাকি আমনি লাগিছে ।

দুইৰো প্ৰস্থান ।

# চতুর্থ অঙ্ক ।

## প্ৰথম গৰ্ভাঙ্ক ।

অৰণ্য ।

চন্দ্ৰাৱলী আৰু পুৰন্দৰৰ প্ৰবেশ ।

চন্দ্ৰাৱলী । কোৱাচোন পুৰন্দৰ,
লোকে কয়,—তুমি হেনো
সদায় বেজাৰ কৰি থাকা
কাক বোলে আনন্দ নেজানা ?

পুৰন্দৰ । সঁচা কথা, আনন্দ নেলাগে মোৰ ভাল ;
বেজাৰত থাকিলে সদায়
সংসাৰৰ দুখ শোক
নোৱাৰে পশিব আহি মোৰ অন্তৰত ।
ভ্ৰমিলো বহুত দেশ
মানুহৰ বহু ব্যৱহাৰ
দেখিছোঁ চকুৰে,
ক'তো মই আনন্দৰ
একোকে কাৰণ নেদেখিলো ।

চন্দ্ৰাৱলী । ভ্ৰমিছা বহুত দেশ ।
তেনেহলে ঘৰ-বাৰী বেচিছা নিজৰ,
সেই ধন ভাঙ্গি
চাইছা লোকৰ ঘৰ-বাৰী ।
ফুৰি ফুৰি জ্ঞানৰ সলনি
গোটালা বেজাৰ হৃদয়ত ।

পুষ্কৰৰ প্ৰবেশ ।

পুষ্কৰ । কি কৰিছা ইয়াত সুবাহু ?

পুৰন্দৰ । কবিবৰ আহিল দেখোন,
কি উদ্দেশ্যে আহিল আপুনি ?

পুষ্কৰ । মন গ'লে কেতিয়াবা ফুৰোহি ইয়াত,
সুবাহুৰে কথা পাতি ভাল লাগে মোৰ ।

চন্দ্ৰাৱলী । কিয়নো পুষ্কৰ তুমি নাহিলা সিদিনা ?

পুষ্কৰ । আহিছিলোঁ,——
কিন্তু বাটতে শুনিলোঁ আহি
মোৰ বাবে আগবাঢ়ি তুমি
গ'লা হেনো আন কোনো বাটে ।

চন্দ্ৰাৱলী । হয় সেই দিনা বাট চাই থাকি
আমনি লাগিল,
আগবাঢ়ি গলোঁ,—সন্দেহ কৰিলোঁ,
জানো কোনো বিপদ তোমাৰ ।

পুৰুৰ। হৃদয়ৰ প্ৰবল আবেগ
শান্ত হয় তোমাক পালেহি;
ভাল লাগে তোমাৰ লগত,
কিন্তু হ'লে তুমি মোৰ একোকে নোহোৱা।

চন্দ্ৰাৱলী। একোকে নহওঁ যদি
কিয় তুমি ভাল পোৱা
আহি মোৰ ওচৰ পালেহি?
অৱশ্যে দুইৰো আছে
কিবা এটি নজনা সম্বন্ধ।

পুৰন্দৰ। চন্দ্ৰাৱলী বুলি তুমি
যাৰ কথা কৈছা সদায়
সেই চন্দ্ৰাৱলীনো তোমাৰ
যথাৰ্থতে হয়নে স্নেহৰ?

পুৰুৰ। ক'ব পাৰোঁ দৃঢ় কৰি
বিৰাজিছে চন্দ্ৰাৱলী মোৰ হৃদয়ত।
চন্দ্ৰাৱলী মোৰ হৃদয়ৰ ধন,
চন্দ্ৰাৱলী সুখৰ সপোন,
সুবাহুক দেখিলে মনত পৰে
চন্দ্ৰাৱলী প্ৰতিকৃতি কল্পনা চকুত।

চন্দ্ৰাৱলী। এনেকুৱা কথা শুনি বেয়া লাগে মোৰ,
যায় মন দুখ কৰিবৰে মোৰো
তোমাৰ দুখতে।

পুৰুৰ। নেলাগে তুৃগৰ কথা মনত পেলাব;
আঁহা যাওঁ, পাগৈগে তোমাৰ কুটিৰ।

চন্দ্ৰাৱলী। বৈ আছে ভনিটিও
আমাল'কে বাট চাই—ব'লা যাওঁ,
যাবানে জগত পুৰন্দৰ?

পুৰন্দৰ। নেযাওঁ জগত; যাম মই আন দিনে,
কেনি যাবা যোৱা তোমালোক।

সকলোৰে প্ৰস্থান।

---

দ্বিতীয় গৰ্ভাঙ্ক।

---

হাবিৰ দাঁতি।

কিৰাত-বালকসকলৰ প্ৰবেশ।

(গীত)

ইমন্-ভুপালী—খেমতা।

বলা যাওঁ গধুলি হ'ল
যাওঁ বজেৰে ঘৰৰ পিনে।
আকাশে প্ৰেম ঢালিছে
মাৰিছে নিতাল জগৎ ধনে।

মাচিছে তৰা ওখ আকাশত
হাহিছে পদুম বিলৰ মাজত,
মলয় বায়ু হিয়াত লাগিছে
বলা গুচি যাওঁ ঘৰৰ পিনে।

সকলোৰে প্ৰস্থান।

---

তৃতীয় গৰ্ভাঙ্ক।

---

হাবিৰ বাট।

হেমাঙ্গলী আৰু চন্দ্ৰাৱলীৰ প্ৰবেশ।

চন্দ্ৰাৱলী। কোৱা হেমাঙ্গলি, অত পৰ হ'ল
তথাপিও নাহিল পুৰুৰ?

হেমাঙ্গলী। হয়, বাইদেও, নাহিল যেতিয়া,
বলা যাওঁ ফুৰোঁগৈ হাবিৰ মাজত,
বাটত থকাৰ একো নাই প্ৰয়োজন।

চন্দ্ৰাৱলী। আহিছে কোনোবা এটি
হ'ব পায় আহিছে পুৰুৰ।

জনাৰ্দ্দনৰ প্ৰবেশ।

জনাৰ্দ্দন। কেনি আছে, কোন বাটে গ'লে,—
নানা বিধ গছেৰে শোভিত
পায় এটি নতুন কুটিৰ?

হেমাঙ্গলী। এই বাটে গৈ থাকা,
সোঁ-হাতে ঘূৰিলে বেগতে
নৈৰ দাঁতিতে পাবাগৈ;
কিন্তু হ'লে নাই কুটিৰত
জন-প্ৰাণী কোনো এটি এই সময়ত।

জনাৰ্দ্দন। কোৱা দেখে হ'লে
এওঁলোক মিলিছে দুয়োটি,——
লবাটি সুন্দৰ, মুখৰ লাৱণী চাই
মাইকী মানুহ যেন দেখি;
ছোৱালীটি পাউনীয়া
বঙ্গতো ককায়েকৰ দৰে।
কোহোৱানে তোমালোক
সেই কুটিৰৰে অধিকাৰী?

হেমাঙ্গলী। শুধিছে যেতিয়া, হওঁ বুলি কওঁ যদি
নেভাবিব অহঙ্কাৰ বুলি।

জনাৰ্দ্দন। তেনেহ'লে অৱশ্যে সুবাহু তুমি?

চন্দ্ৰাৱলী। হওঁ মই, আছেনে সম্বাদ কিবা?

জনাৰ্দ্দন। আছে মোৰ ক'ব লগা বহুত সম্বাদ,
ক'ব পাৰোঁ, ভাবা যদি তুমি
পশুতো অধম বুলি মোক।

চন্দ্ৰাৱলী। কোৱা তুমি, উৎকণ্ঠিত নকৰা আমাক।

জনাৰ্দ্দন। তোমোলোক হুয়োটিৰ—
পৰিচিত পুষ্কৰৰ পৰা—
দূত ৰূপে দিছোঁ মই এই সমাচাৰ;—
সিদিনা ইয়াৰ পৰা যাওঁতে বাটত
পুষ্কৰৰ চকুত পৰিল
এটি অতি ভীষণ দৰ্শন,—
এজোপা ডাঙৰ,—কৌতী কলীয়া যেন দেখা
সুবিস্তৃত আহঁত গছৰ
ঠালে পাতে গগন ভেদিছে,
সেই জোপা গছৰ তলতে
আছিল টোপনি গৈ পথিক এজন
আছিল লগতে এটি
তিব-বিব কৰা ভয়ঙ্কৰ ফেঁটী সাপ
ফেঁট তুলি মেৰ দি ডিঙ্গিত;
পুষ্কৰক যোৱা দেখি
লুকাল বিধাল ফনী আহঁত গছতে;
আছিল সিফালে তাত সিংহিনী এজনী
সাৰ পালে খাম বুলি সেই পথিককে,—
টোপনিত কোনো জন্ত সিংহই নেখায়।
চাপিগৈ দেখিলে পুষ্কৰে,—সেই জন
পশুতো অধম জনাৰ্দ্দন নিজ ককায়েৰ।

হেমাঙ্গলী। শুনিছোঁ পুষ্কৰে কোৱা
ককায়েকে হেনো নিদিলে ঘৰত ঠাই।

জনাৰ্দ্দন । সঁচা কথা,—জানো মই
পুষ্কৰৰ ককায়েকে দয়া-ময়া এৰি
কৰিছিলে পশু-আচৰণ ।

চন্দ্ৰাৱলী । বাক, কোৱাচোন কি কৰিলে পুষ্কৰে তেতিয়া ?

জনাৰ্দ্দন । নিজৰ ককায়েককো
সিংহৰ মুখতে এৰি
গ'ল গুচি তেতিয়া পুষ্কৰ ।
কিন্তু স্নেহৰ বলত
হিংসা ভাব অতিক্ৰম কৰি,
আকৌ উলটি আহি
সিংহিনীৰে যুদ্ধ কৰি
জয় লাভ কৰিলে পুষ্কৰে ।
তেনেতে টোপনি মোৰ ভাগিল হঠাতে
অনুতাপো উদিল হিয়াত ।

হেমাঙ্গলী । তুমিয়েনে পুষ্কৰৰ নিজ ককায়েক ?

চন্দ্ৰাৱলী । সিংহৰ মুখৰ পৰা
ৰাখিলেনে তোমাকে পুষ্কৰে ?

হেমাঙ্গলী । তুমিয়েনে পুষ্কৰক বধিবৰ বাবে
কৰিছিলা অশেষ মন্ত্ৰণা ?

জনাৰ্দ্দন । ময়ে কৰিছিলোঁ, কিন্তু
এতিয়া নহওঁ হ'লে আগৰ নিচিনা ।
পাপৰ উচিত দণ্ড পালোঁ ।

জীৱনতে দেখিলো নৰক,
জীৱনৰ যাতনা ভুগিলোঁ;
সেইবাবে বিধতাই সজ্ঞ জ্ঞান দিলে,
পালোঁ ময়ো সজ্ঞ বিবেচনা।
পূৰ্ব্ব হিংসা পৰিহৰি
পাৰিছোঁ বুজিব মই
আগেয়ে আছিলোঁ কেনে দুৰন্ত মানুহ।

চন্দ্ৰাৱলী। পিচে, শেষ কৰা পুষ্কৰৰ কথা।

জনাৰ্দ্দন। তাৰ পিচতে দুয়ো
তিতি গ'লোঁ উভয়ৰ চকুৰ পানীৰে।
ক'লো মই, কেনেকৈ অৰণ্য সোমালোঁ,
বিশ্বপালে খেদি দিয়া বাবে
আপোনাৰ ঘৰ বাৰী এৰি।
পুষ্কৰে লগত নিলে
চিনাকি কৰাই দিলে
ধৰ্ম্মপাল আগৰ ৰজাৰে;
দুয়ো আমি মিল হ'লো ৰজাৰ সাক্ষাতে।
পুষ্কৰে তেতিয়া মোক
দিলে ঠাই নিজ কুটিৰতে।
সিংহিনীৰে যুদ্ধ কৰা বাবে
পুষ্কৰৰ ঘাও লাগিছিল
কিন্তু ততালিকে পানীৰে ধুৱাই
দৰবেৰে বান্ধি দিলোঁ মই।

সেইবাবে আহিব নোৱাৰি
তোমোলাকে বাট চাই থাকা বুলি
দিলে মোক পঠিয়াই,
মই আহি দিছোঁ সমাচাৰ।

হেমাঙ্গলী। ওলাব খুজিছে দেখোঁ
তোমাৰ চকুৰ পানী,
কিয় তুমি নিচেই পাতল বাইদেও ?

চন্দ্ৰাৱলী। একো হোৱা নাই ;
এনেয়েহে ওলাব খুজিছে
পাতল চকুৰ পানী মোৰ।

জনাৰ্দ্দন। নহয় এনেয়ে,
সঁচাকৈয়ে আহিছে ধাৰেৰে বৈ
চকু-পানী তোমাৰ গালেদি।

হেমাঙ্গলী। ব'লা বাইদেও,
যাওঁ ব'লা ফুটিবৰ পিনে।
কি নাম তোমাৰ, জানিব দিবানে মোক ?

জনাৰ্দ্দন। নাম মোৰ জনাৰ্দ্দন।

হেমাঙ্গলী। গধূলি বেলিকা আহি
পাৰিবানে কৈ যাব
পুৰুষৰ সকলো বাতৰি ?

জনাৰ্দ্দন। অৱশ্যে পাৰিম্।

হেমাঙ্গলী। নিজে আহি দেখাদি যাবাহি
গধূলি বেলিকা সৌ
কুটিৰতে আমাক পাবাহি।
(মনে মনে) নাই দেখা এনেকুৱা সুন্দৰ পুৰুষ
সুন্দৰ লক্ষণ থকা, সৰ্ব্ব গুণান্বিত—
কোনো দিনে মোৰ জনমত।

জনাৰ্দ্দন। ভাল কথা,—অৱশ্যে আহিম।

চন্দ্ৰাৱলী আৰু হেমাঙ্গলীৰ প্ৰস্থান।

কিবা এটি হ'ল আজি মোৰ হৃদয়ত;
কিবা যেন নতুন ভাবেৰে
পূৰ্ণ হ'ল মোৰ হিয়া খনি।
কিহেনো হৃদয় ঢাকিলেহি
নাই হোৱা গম পাব পৰা।
হৃদয় পটত মোৰ
উদিছে মোহন ছবি এটি
নাই হোৱা পূৰ্ণ বিকশিত।

জনাৰ্দ্দনৰ প্ৰস্থান।

# পঞ্চম অঙ্ক।

## প্ৰথম গৰ্ভাঙ্ক।

### এটা কুটিৰ।

ধনঞ্জয় আৰু বহুলীৰ প্ৰবেশ।

ধনঞ্জয়। পিচে বহুলি, তোমাৰ গাত পিশাচ এটা লাগিছে গম পাইছা জানো?

বহুলী। এনেবোৰ কথা ক'লে মোৰ বৰ ভয় লাগে; পিশাচৰ কথা শুনিলে পেটতে হাত ভৰি লুকায়। আইয়ে ডিঙ্গিত ডোল দিয়াইছে ইমান দিন পৰচেষ্টা নোহোৱাকৈ থৈছে।

ধনঞ্জয়। তেনেকুৱা বিধৰ পিশাচ নহয়; চোৰাঁ সো গৰাকী আছিচে।

বহুলী। সেইটো বিজয়হে। সি হওঁতে মোক ধৰি নিম বুলি কৈছে, কিন্তু তুমি পালে আকৌ টঙ্গনীয়াই দিবা নহয়।

বিজয়ৰ প্ৰবেশ।

বিজয়। বহুলী, অ' বহুলী।

বহুলী। (খং কৰি) কেলেই মোক?

বিজয়। 'অ' আমাৰ ডাঙ্গৰীয়াও দেখোন।

ধনঞ্জয়। হয়, আপোনাৰনো বয়স হৈছে কিমান ?

বিজয়। মুঠেই একুৰি পাঁচ।

ধনঞ্জয়। ভৰ যোৱান। ইপোনে ফ.পৰেও ধৰিছে ; নাম বা কি ?

বিজয়। সেই, মানুহে বিজয় বুলি মাতে।

ধনঞ্জয়। বঢ়িয়া নাম ; ধন সম্পতি কিমান ?

বিজয়। মোৰ প্ৰভুৰ অনুগ্ৰহত—অলপ চলপ আৰু সেই

ধনঞ্জয়। কথা হ'লে আপুনি বেচকৈ ক'ব জানিছে। আপোনাৰ জ্ঞান কিমান ?

বিজয়। গিয়ান, হ'লে এধান মান আছে।

ধনঞ্জয়। হা হা হা অজ্ঞানীবেযেহে নিজক জ্ঞানী বুলি ভাবে ; এই কথা ঋষি-মুনি সকলে কৈ গৈছে। পিচে এই মানুহ জনী নিবৰ মন কৰিছেনে কি ?

বিজয়। এ কোনে কৈছে ?

ধনঞ্জয়। পঢ়া শুনা কিমান ?

বিজয়। মিছা ক'লে কি হ'ব, সেই পিনে হ'লে শূন্য।

ধনঞ্জয়। তেনেহ'লে মই শিকনি দিওঁ লোৱা, এবাটি পানী অইন এটা বাটিলৈ বাকিলে ইটো শুদা হয় আৰু সিটো চপ.চপীয়া হয়। সংস্কৃত জনা পণ্ডিত সকলে কয় বোলে সঃ মানে সি ; কিন্তু আটাইতকৈ তুমি হ'লে সেইটো সঃ নোহোৱা ; কাৰণ সেইটো সি মইহে।

বিজয়। কোন সি ডাঙ্গৰীয়া ?

ধনঞ্জয়। সেই সি ডাঙ্গৰীয়া, সি এই জনী মানুহ নিব। সেই বাবে ইমানতে আৰু এৰ, অৰ্থাৎ তইঁতৰ চহা কথাত ক'বলৈ গলে আশা পৰিত্যাগ কৰ। তই ধ্বংশ হ'বি, অৰ্থাৎ তই বুজাকৈ ক'বলৈ হ'লে,—মৰিবি, অৰ্থাৎ মই তোৰ বধক লম। তোক বিহ দিম আৰু খামতি দা লগাম। মোৰ তলা-নলা ধৰিবৈ নোৱাৰিবি। তোক বাবে বুৰি বুধি লগাই বধিম, এতিয়া ইয়াৰ পৰা ভালে ভালে আতৰ হ।

বিজয়। বাৰু তেনেহ'লে।

ধনঞ্জয়। বোপা কুশল হক।

বিজয়ৰ প্ৰস্থান।

বহুলী। তুমি বহুত কথা জানা দেও।

ধনঞ্জয়। এ-কি কৈছ, পিশাচ এই দৰে যেদিব নোৱাৰিলে নেপায় নহয়। মই তোক নিবলৈ বন্দবস্ত কৰি থৈছোঁ সি জানো ভু পোৱা নাই; এতিয়া ব'লা আমি সুবাহুৰ ওচৰলৈ যাওঁ।

দুইৰো প্ৰস্থান।

---

দ্বিতীয় গৰ্ভাঙ্ক।

---

অৰণ্য।

জনাৰ্দ্দনৰ প্ৰবেশ।

জনাৰ্দ্দন। মেনকা, মেনকা তুমি কিবাত কুমাৰী,
সৰলতা তোমাৰ ভূষণ।

তুমি মোৰ হৃদয়-ঈশ্বৰী,
তুমি মোৰ জীৱনত
আশাৰ পৱিত্ৰ ছবি
তুমি আছা বাবে
লাগিছে অৰণ্য খনি অমৰাৱতী যেন।
ভাবিলে তোমাৰ কথা
পাহৰোঁ সকলো দুখ
মুৰলি মুকলি যেন
লাগে মোৰ মনৰ মাজত,
পুণ্য ভাব ওলায় মনত।
আশাৰ কল্পনা তুমি,
তুমি মোৰ, মযো তোমাৰেই,
চাই থাকা যদি তুমি
পাৰোঁ মই পৰ্ব্বত লঙ্ঘিব,
নেলাগে ভাগৰ মোৰ
পৰিশ্ৰম কৰিও মনত;
সুন্দৰী মেনকা, কৰিছা বিৰাজ তুমি
মোৰ এই হৃদয় মাজত।

পুষ্কৰৰ প্ৰবেশ।

পুষ্কৰ। দেখিছোঁ দদাৰ যেন
কিবা এটি বিষাদৰ ভাব ?

জনাৰ্দ্দন। মোৰ আৰু ভাল লগা নাই,

যোৱা তুমি ভাই,
দেশত ৰজাক খুজি ঘৰ-বাৰী লৈ
কৰাগৈ সুখেৰে বসতি।
থাকিম বনতে মই
মোৰ বাবে তুমি একো চিন্তা নকৰিবা।

পুষ্কৰ। কিয়, দুয়ো আমি থাকিম ইয়াতে,
দুৰন্ত ৰজাৰ দুৰন্ত দেশত
কদাপিও থাকিব নোৱাৰি;
অৰণ্যকে নগৰৰ দৰে
কৰি লম সকলোৱে মিলি।

জনাৰ্দ্দন। মাতিছিলে মোক আজি
ধৰ্ম্মপাল ধাৰ্ম্মিক ৰজাই,
যাওঁ মই, অলপ পিচতে আহি
পামহি তোমাক।

জনাৰ্দ্দনৰ প্ৰস্থান।

পুষ্কৰ। জ্যেষ্ঠ ভাই বলিযাৰ দৰে
সুবাহুৰ ভনীয়েক মেনকাই আজি
নিলে হৰি তেওঁৰ পৰাণ।
আহিছে সুবাহু সৌৱা
দুয়ো আমি উপায় চিন্তিম।

চন্দ্ৰাৱলীৰ প্ৰৱেশ।

আহিলা সুবাহু আজি ঠিক সময়তে।

চন্দ্ৰাৱলী। সময়ৰ ব্যতিক্ৰম
মুখৰ কথাৰ লৰচৰ
কোনো দিনে কদাপি নকৰোঁ।

পুৰুৰ। কথা এটি কওঁ
তুমি যদি ক'ব দিয়া মোক।

চন্দ্ৰাৱলী। কোৱা তুমি,
সদাই দেখিছা মোক তোমাৰ বাধিত,
যিহকে কৰিব লাগে
সাধ্য মতে তাকেই কৰিম।

পুৰুৰ। তুমি মোক ভাল পোৱা বাবে
সেই কথা কওঁ বুলি
সাহ কৰি ভাবিছোঁ মনত।
বাক কোৱাচোঁ সুবাহু
বিধানে তোমাৰ ভনীয়াক
বিয়া মোৰ জ্যেষ্ঠ জনলৈ?

চন্দ্ৰাৱলী। সদায় ভাবিছোঁ মই তাকেই মনত,
মান্তি আছোঁ সন্তোষ চিত্তেৰে,
সেয়ে হ'লে, হ'ব লগা আৰু এটি
প্ৰণয় বান্ধনি, দৃঢ়তৰ হ'ব।

পুৰুৰ। মান্তি যদি তুমি
তেনে হ'লে স্থিৰ কৰা যক
দুয়োটিৰ শুভ পৰিণয়।

চন্দ্ৰাৱলী। ভাবিছা লোকৰ কথা,
নিজৰ নিমিত্তে হ'লে
নাই ভৰা একোকে মনত;
তোমাৰ প্ৰাণৰ ধন চন্দ্ৰাৱলী নামে
তোমাৰ তেওঁৰে স'তে
মিলনৰ একো ভৰা নাই।

পুৰুষ। ভাল লাগে দেখি মোৰ লোকৰ সন্তোষ,
নিজৰ দুৰণি আশা বহু আঁতৰত।
সেই আশা সিদ্ধি হ'ব
ঈশ্বৰৰ এনে ইচ্ছা কদাপি নহয়।

চন্দ্ৰাৱলী। বাক সিদ্ধি হয় যদি,
ওলায় তোমাৰ চন্দ্ৰাৱলী,
সন্তোষেৰে হ'বা জানো দুয়োটি মিলন?

পুৰুষ। কদাপিও অসম্ভব সম্ভব নহয়।

চন্দ্ৰাৱলী। অহঙ্কাৰ কৰা নাই,
কিন্তু, জনাওঁ তোমাক———
বহুত ডাঙ্গৰ গুণ আছে মোৰ গাত;
তোমাক বঞ্চনা কৰা
কদাপিও উদ্দেশ্য নহয় মোৰ।
আছিল দদাইদেও এই অৰণ্যতে
কৰিছিলে বশ পিশাচকো,
পুহিছিলে কৰ্ণ-পিশাচিনী,

পাৰিছিলে অসম্ভৱো সম্ভৱ কৰিব।
শলোঁ মই তেওঁৰ গুণৰ
সকলোৰে আও-ভাও, শিকিলোঁ সকলো।
যথাৰ্থতে চন্দ্ৰাৱলী
তোমাৰ হিয়াৰ যদি কোমল পুতলী,—
তেনেহলে কাইলৈ আনি
উলিয়াম তোমাৰ আগতে।
স্বচক্ষে দেখিবা তুমি
প্ৰকৃত মানুহ তেওঁ
নেথাকিব ভয়ৰ কাৰণ।
জানো মই ক'ত আছে তেওঁ
সেইবাবে নিশ্চয় পাৰিম
আনি দিব ঠিক সময়ত।

পুৰুৰ। তুমি কোন বাবে মই কাণ পাতি আছোঁ,
কৈছানে বাৰু সঁচাকৈয়ে সকলো কথাকে ?

চন্দ্ৰাৱলী। তোমাৰ শপত খাই
ঠিক কথা কৈছোঁ জানিবা,—
নাই মোৰ তাতকৈ ডাঙৰ শপত।
পিন্ধি উৰি আহিবা দুয়োটি
মেনকাক জনাৰ্দনে গ্ৰহণ কৰিব,
চন্দ্ৰাৱলী আহি
সন্তোষেৰে তোমাক বৰিব।
ধৰ্মপাল ৰজাৰ কোষত

উপস্থিত থাকিবা তুয়োটি
দিবা তুমি নিমন্ত্ৰণ বন্ধু-বান্ধৱক ।
তুয়োটিৰ কাইলকে
হৃদয়ৰ আবেগ গুচাম ।

পুৰুৰ । নোৱাৰো, নেজানো কিনো
দিম মই তোমাক উত্তৰ ।

দুইৰো প্ৰস্থান ।

---

তৃতীয় গৰ্ভাঙ্ক ।

---

এখন পথাৰ ।

দুটা গৰখীয়া ল'ৰা আৰু ধনঞ্জয়ৰ প্ৰবেশ

গীত ।

আলেয়া—একতালা ।

নাবিছে বিজুলী মেঘৰ সঁজুলি
গাজিছে দুবৈ আকাশত ।
নিশা নামিছে বেলি ডুবিছে
ভয়ো লাগিছে হৃদয়ত ।
লোকালোক অন্ধকাৰ,
তমোময় পাৰাপাৰ,
বজ্ৰ পৰিছে ধৰা কঁপিছে
কাল উদিছে জগতত ।

ধনঞ্জয়। গানটো শুনিবলৈ ভাল যদিও মোৰ কাণত টংটংহাই গৈছে।

১ম গৰখীয়া। ভাল হ'লে ভগা নাই, আপুনিহে বেয়া শুনিছে।

ধনঞ্জয়। তইঁতৰ মাটতো বৰ হুঁতা, অলপ ভাল কৰহঁক।

২য় গৰখীযা। অইনে শুনিলে হ'লে বৰ শলাগে।

ধনঞ্জয়। অইনৰ কথাই মোৰ কথাই নিমিলে।

১ম গৰখীয়া। ডাঙ্গৰীয়া, আপোনাৰ জানো বিজয়ৰে চিনাকি আছে?

ধনঞ্জয়। চিনাকি থক বা নথক সেই কথা তইঁতে কেলেই শুধিবি?

২য় গৰখীয়া। এৰা ডাঙ্গৰীযা সি আকৌ বৰ বেয়া কথাবোৰ উলিযাইছে।

ধনঞ্জয়। কি উলিয়াইছে?

১ম গৰখীয়া। কোনোবা বহুলী বোলা, লোকে এবা মানুহ এজনীক হেনো সি জোৰোণ পিন্ধাই থৈছিলে, আপুনি একে পালি আহুদিতে মানুহজনী হাত কৰিলে।

ধনঞ্জয়। বোপাইহঁত ভৰিত ধৰিছো, সেই কথা আৰু ক'তো নুলিয়াবি।

২য় গৰখীযা। আমাকো জানো আহুদি এপালি দিব?

ধনঞ্জয়। কেলেই নিদিম বোপাইহঁত, আহহঁক দিওঁগৈ।

সকলোৰে প্ৰস্থান।

## চতুৰ্থ গৰ্ভাঙ্ক ।

——:0:——

### ৰজাৰ কুটিৰ ।

ধৰ্ম্মপাল, গদাপাণি, পুৰন্দৰ, পুষ্কৰ আৰু জনাৰ্দ্দৰ প্ৰবেশ

ধৰ্ম্মপাল । যথাৰ্থনে ভাবিছা পুষ্কৰ,
সেই লৰাটিয়ে
পাৰিবনে কোৱা দৰে
আচৰিত কাম দেখুৱাব ?

পুষ্কৰ । কেতিয়াবা পাৰে যেন ভাবোঁ ;
ঠিক একো নোৱাৰোঁ কৰিব ।

ধৰ্ম্মপাল । দেখিলেই সেই লৰাটিক
সদাই মনত পৰে মোৰ
দুৰ্ভগীয়া চন্দ্ৰাৱলীলৈ ।

পুষ্কৰ । যিদিনা প্ৰথমে দেখোঁ
ভাবিছিলোঁ ময়ো
আপোনাৰ জীয়েকৰে ককায়েক বুলি ।
কিন্তু কি কিবাত জনমত
অৰণ্যতে লালিত-পালিত
জ্ঞানে আৰু ভৌতিক বিদ্যাও,
দদায়েকে শিকালে ঘৰতে ।
যদিও অৰণ্যবাসী

কথা শুনি, ব্যৱহাৰ দেখি
ভ্ৰম হয় নগৰীয়া বুলি।

জনাৰ্দ্দন। ভনীয়েকো উপযোগ্য সভ্য সমাজৰ।
ভাই ভনী দুয়ো আদৰ্শ সৱল
কিৰাতৰ কুমাৰ কুমাৰী।

ধৰ্ম্মপাল। আচৰিত কথা আজি
দেখুৱাব খুজিছে আমাক,—
মেনকাক অৰ্পিব তোমাত
চন্দ্ৰাৱলী মোৰ জীয়াৰীক
সমৰ্পণ কৰিবহি
পুষ্কৰৰ কোমল হাতত,
তাত মোৰ সন্তোষৰ স্বীকাৰ কৰালে।
হ'বনে হ'বনে এনে আনন্দৰ দিন,—
যিদিনা দেখিম মই
চন্দ্ৰাৱলী পুষ্কৰৰ শুভ পৰিণয়।

জনাৰ্দ্দন। আহিছে কোনোবা সোৱা এই পিনল'কে।

চন্দ্ৰাৱলী, হেমাঙ্গলী আৰু ধনঞ্জয়ৰ প্ৰবেশ।

ধনঞ্জয়। শুনিব ৰাজন, অৱশ্যে চিনিছে মোক
পৰিচয় নাই প্ৰয়োজন ;
আপোনাৰ চিৰ ভৃত্য মই ধনঞ্জয়।
আছিলোঁ বনতে কিন্তু কোনো দিনে
আপোনাক দেখা দিয়া নাই ;

গুপ্তবাস কৰিছিলোঁ।
গুপ্তবেশে বনৰ মাজত ।
এওঁ চন্দ্ৰাৱলী
আপোনাৰ আপোন জীয়াৰী,
সুবাহু নামেৰে কিৰাত কুমাৰ হৈ
আছিলে বনত, দেখিলে বহুত দিন
কিন্তু নোৱাৰিলে এদিনো চিনিব ।
এওঁৰ মেনকা নাম,
সুবাহুৰ ভনীয়েক,
কিন্তু যথাৰ্থতে হেমাঞ্জলী
বিশ্বপাল ৰজাৰ জীয়াৰী;
এতিয়া তিনিও আমি প্ৰণাম কৰিছোঁ
আশীৰ্ব্বাদ পাবৰ কাৰণে ।
বিশ্বপাল ৰজাৰ প্ৰতাপ দেখি
নগৰত থাকিব নোৱাৰি
হেমাঞ্জলী, চন্দ্ৰাৱলী, মই
তিনিও আহিলোঁ গুচি,
আপোনাৰ আশ্ৰয়তে
গুপ্তবেশে বনত থাকিলোঁ,
সময়ত দিছোঁ পৰিচয়
যিবা ইচ্ছা আদেশ কৰক ।

চন্দ্ৰাৱলী । (ৰজাক) আপোনাৰ চৰণত শৰণ মাগিছোঁ,
আপোনাৰ চিৰদাসী মই ।

(পুষ্কৰক) আপোনাৰ চৰণতো শৰণ মাগিছোঁ,
আপোনাৰো চিৰদাসী মই ।

ধৰ্ম্মপাল । চকু যদি সঁচা হয়
তুমি মোৰ চন্দ্ৰাৱলী প্ৰাণৰ পুতলী ।

পুষ্কৰ । চকুঁ যদি সঁচা হয়
তুমি মোৰ চন্দ্ৰাৱলী প্ৰাণৰ পুতলী ।

হেমাঙ্গলী । আপোনাৰ চৰণতে
অৰ্পিছোঁ নিজকে আজি মযো ;
পিতৃত নেপালোঁ স্থান
সেইবাবে আপোনাকে পিতৃভাব কৰি
কৰিছোঁ অৰ্পণ নিজে নিজে ।
(জনাৰ্দ্দনক) আপোনাতো অৰ্পিলো নিজকে
স্থান দিব চিৰদুখুনীক ।

ধৰ্ম্মপাল । তুমি মোৰ অতি চেনেহৰ,—
তোমাৰ গুণত, আৰু
মোৰ প্ৰতি উদাৰ ভকতি দেখি
পূৰ্ব্ব স্নেহ দুগুণে বাঢ়িল ।
মই অতি ভাগ্যৱন্ত
তুমি মোক পিতৃভাৱে আদৰ কৰিছা ।

জনাৰ্দ্দন । মযো অতি ভাগ্যৱন্ত
তুমি মোত নিজে নিজে
প্ৰাণ মন অৰ্পণ কৰিছা ।

দামোদৰৰ প্ৰবেশ।

দামোদৰ। কওঁ কথা সকলোৰে শুনক সুখেৰে,—
নাম মোৰ দামোদৰ
কনিষ্ঠ কুমাৰ মই
বীৰভদ্ৰ প্ৰাচীন মন্ত্ৰীৰ।
দিনে দিনে ডাঙৰ বিষয়াবোৰ
ৰনলৈ অহা দেখি
জজ্বলিত হৈ বিশ্বপাল
নিজৰ জ্যেষ্ঠক বধিবৰ বাবে
সেনালৈ পালে আহি মুথ অৰণ্যৰ,
এজনা পুৰণি ঋষি লগ তাতে পালে
তেওঁৰে আলাপ কৰি
ভ্ৰাতৃবধ কৰা ইচ্ছা সমূলি এৰিলে,
এৰিলে সংসাৰো।
এতিয়া বৈৰাগী তেওঁ
ৰাজ্য ভাৰ সমৰ্পণ
কৰিছে তুনাই আপোনাক;
সভ্য সকলকো দিছে
নিজ নিজ আগৰ বিষয়।

ধৰ্ম্মপাল। সুখৰ বাতৰি তুমি
আনিছা সুখৰ দিনা,—
তোমাৰ দুয়োটি ককায়েৰে
সন্তোষ লভিছে পাই শুভ সমাচাৰ।

এজনে পুৰণি ঘৰ
পুৰণি সম্পত্তি পাব,
ইজনে কৰিব লাভ মোৰ ৰাজ্য খনি,—
চন্দ্ৰাৱলী একেটি কুমাৰী মোৰ ।
কিন্তু, সম্প্ৰতি পাহৰা সকলোৰে
নতুন সুখৰ সমাচাৰ;
জীৱনৰ শুভকাম হ'লে সমাপন
মনত পৰিব দিবা নতুন সন্তোষ ।

পুৰন্দৰ । সংসাৰৰ সুখ দুখ এৰি
বিশ্বপাল নৃপতিয়ে
বৈৰাগ জীৱন ল'লে বুলি
দিছাহিনে তুমি সমাচাৰ ?

দামোদৰ । হয়, মযে আনিছিলোঁ সমাচাৰ ।

পুৰন্দৰ । যাওঁ তেন্তে লওঁগৈ তেওঁতে আশ্ৰয়,—
তেওঁৰ লগতে মই বনতে থাকিম;
এইবোৰ দেখি শুনি
মোৰ আৰু ভাল লগা নাই ।

পুৰন্দৰৰ প্ৰস্থান ।

প্ৰজাপতি আৰু অপ্সৰীসকলৰ প্ৰবেশ ।

## (গীত)

### কীৰ্ত্তন-মিশ্ৰ—একতালা।

আজি নতুন সুখ প্ৰভাত উদয় হ'ব,
লুকাব মনৰ নিৰানন্দ,
পুব আকাশ পিনে সুনিৰ্ম্মল কিৰণে
ঢালিব মলয়া, ব'ব মন্দ।
উজ্জ্বল ৰবিকৰ সুশোভন গগণ
মোহন জেউতি বিতোপণ,
ৰঙ্গ মনেৰে আহি প্ৰেম বাঁহি বাবহি
অলিয়ে বিলাব মকৰন্দ।

প্ৰজাপতি। আহিছোঁ আনন্দ দেখি,
স্বৰগতো আজি অতি আনন্দৰ দিন।
এই পুষ্পমালা দিছোঁ
চন্দ্ৰাৱলী পুষ্কৰৰ ডিঙ্গিত পিন্ধাই,
এই ধাৰি দিছোঁ
হেমাঙ্গলী জনাৰ্দ্দন দুইৰো ডিঙ্গিত।
অপূৰ্ব্ব মিলন আজি, কৰো আশীৰ্ব্বাদ
হৰগোৰী কৰক বসতি;
গোৱা গোৱা অপ্সৰীসকল
সুমধুৰ সঙ্গীত এটি
সুখময় আনন্দ দিনত।

## (গীত)

মিশ্র-খাম্বাজ—কাওয়ালী।

চোখাহি চোখাহি আজি যুগল তরা,
ইটিয়ে সিটিক ধরি
আকাশ মুকলি করি
মধুর ভাবেরে আজি শোভিছে ধরা।
ফুলিছে কোমল ফুল,
ধরণী গেছে ভোল,—
কোমল কিরণে আজি জগত ভরা।

---

যবনিকা পতন

---

# সূচনা।

নৰ্ত্তকীসকল।

## প্ৰথম অঙ্ক।

### প্ৰথম গৰ্ভাঙ্ক।

জনাৰ্দ্দনৰ আগ-চোতাল।

পুষ্কৰ, সুৰথী, জনাৰ্দ্দন, স্বৰূপ আৰু পিঙ্গৰ।

---

### দ্বিতীয় গৰ্ভাঙ্ক।

ৰাজ প্ৰাঙ্গন।

হেমাঙ্গনী, চন্দ্ৰাৱলী, ধনঞ্জয়, পৰশু, বিশ্বপাল, পুষ্কৰ আৰু পিঙ্গৰ।

---

### তৃতীয় গৰ্ভাঙ্ক।

ৰাজ প্ৰাসাদ।

হেমাঙ্গনী, চন্দ্ৰাৱলী আৰু বিশ্বপাল।

---

# দ্বিতীয় অঙ্ক।

## প্ৰথম গৰ্ভাঙ্ক।

নৈমিষ বন।

ধৰ্ম্মপাল, গদাপাণি আৰু দুজন লগৰীয়া।

---

## দ্বিতীয় গৰ্ভাঙ্ক।

জনাৰ্দ্দনৰ ঘৰ।

পুষ্কৰ আৰু সুৰথী।

---

## তৃতীয় গৰ্ভাঙ্ক।

নৈমিষ বন।

চন্দ্ৰাৱলী, হেমাঙ্গলী, ধনঞ্জয়, জয় আৰু বিজয়

---

## চতুৰ্থ গৰ্ভাঙ্ক।

হাবিৰ বাট।

সুৰথী আৰু পুষ্কৰ।

---

পঞ্চম গৰ্ভাঙ্ক ।

অৰণ্য ।

ধৰ্ম্মপাল, গদাপাণি, নগৰীয়াসকল, পুৰন্দৰ, পুষ্কৰ আৰু সুৰথী ।

---

## তৃতীয় অঙ্ক ।

প্ৰথম গৰ্ভাঙ্ক ।

ৰাজ-প্ৰাসাদ ।

বিশ্বপাল আৰু জনাৰ্দ্দন ।

---

দ্বিতীয় গৰ্ভাঙ্ক ।

অৰণ্য ।

পুষ্কৰ, জয়, ধনঞ্জয়, চন্দ্ৰাৱলী, হেমাঙ্গলী আৰু পুৰন্দৰ

---

তৃতীয় গৰ্ভাঙ্ক ।

এজোপা গছৰ তল ।

ধনঞ্জয়, বহ্নী, পুৰন্দৰ আৰু সনাতন ।

---

চতুৰ্থ গৰ্ভাঙ্ক ।

কুটিৰ ।

চন্দ্ৰাৱলী আৰু হেমাঞ্জলী ।

---

# চতুৰ্থ অঙ্ক ।

প্ৰথম গৰ্ভাঙ্ক ।

অৰণ্য ।

চন্দ্ৰাৱলী পুৰন্দৰ আৰু পুষ্কৰ ।

---

দ্বিতীয় গৰ্ভাঙ্ক ।

হাবিৰ দাঁতি ।

কিৰাত বালকসকল ।

---

তৃতীয় গৰ্ভাঙ্ক ।

হাবিৰ বাট ।

হেমাঞ্জলী, চন্দ্ৰাৱলী আৰু জনাৰ্দ্দন ।

---

# পঞ্চম অঙ্ক ।

## প্ৰথম গৰ্ভাঙ্ক ।

এটা কুটিৰ ।

ধনঞ্জয়, বহুলী আৰু বিজয়

---

## দ্বিতীয় গৰ্ভাঙ্ক ।

অৰণ্য ।

জনাৰ্দ্দন, পুষ্কৰ আৰু চন্দ্ৰাৱলী

---

## তৃতীয় গৰ্ভাঙ্ক ।

এখন পথাৰ ।

দুটা গৰ্ৰ্গীয়া ল'ৰা আৰু ধনঞ্জয় ।

---

## চতুৰ্থ গৰ্ভাঙ্ক ।

ৰজাৰ কুটিৰ ।

ধৰ্ম্মপাল, গদাপাণি, পুৰন্দৰ, পুষ্কৰ, জনাৰ্দ্দন, চন্দ্ৰাৱলী, হেমাঞ্জলী, ধনঞ্জয়, দামোদৰ, প্ৰজাপতি আৰু অপ্সৰীসকল ।

——:0:——